Content includes AI-generated material





www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, MAY 30, 2025 ■ শুকুৰবাৰ, ১৫ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৫২ Guwahati, Assam ।। মূল্যঃ এটকা


**বৰদুৱাৰ বাগানৰ ১৫০০ বিঘা ভূমি জিএমডিএ-ক গতাবলৈ সাজু চৰকাৰ**

# বৰষুণত তিতি ভেটি বচাবলৈ প্ৰতিবাদ থলগিৰিৰ



ই-সংবাদ, ২৯ মে': ৰাজ্যৰ চৌদিশে এতিয়া জনজাতীয় লোকৰ ভূমিত চকু চৰকাৰৰ। চৰকাৰে জনজাতীয় লোকক উচ্ছেদ কৰি সেই ভূমি পুঁজিপতিক গতাবলৈ তৎপৰ হৈ পৰাত ৰাজ্যজুৰি প্ৰতিবাদ অব্যাহত আছে। শেষাংশ ২ পৃষ্ঠাত

## ট্ৰাম্পক বিদায় জনাই ৰাজনীতি এৰিলে মাস্কে

ৱাশ্বিংটন, ২৯ মে': অৱশেষত বিচ্ছেদ ঘটিল ট্ৰাম্প বনাম মাস্কৰ ৰাজনৈতিক ৩ পৃষ্ঠাত চাওক



## ৰুক্মিণীগাঁৱত নাও, বানত বিলৈ মহানাগৰিকৰ

ই-সংবাদ, ২৯ মে': গুৱাহাটী মহানগৰীক এতিয়া গুৱাহাটী মহানগৰী বুলি কোৱাৰ থল নাই। গুৱাহাটী ৪ নং পৃষ্ঠাত

কেবিনেট সিদ্ধান্তক লৈ ড০ গোহাঁই

## বন্দুক দি ৰাজ্য অস্থিৰ কৰিব খুজিছে হিমন্ত বিশ্ব শৰ্মাৰ ফেচিষ্ট চৰকাৰে



ই-সংবাদ, ২৯ মে': সন্দেহজনক লোকৰ আহ-যাহ থকা স্পৰ্শকাতৰ সংখ্যালঘু এলেকাত নিজকে সুৰক্ষিত কৰিব পৰাকৈ ৫ পৃষ্ঠাত চাওক

জেৰাৰ অন্তত ৰ'জি কলিতাৰ মন্তব্য

## দলৰ ডেমেজ কন্ট্ৰ'লৰ বাবে কথা কৈছিল ৰিপুনে!






ই-সংবাদ, ২৯ মে': মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ ৰোষত পৰা প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা প্ৰাক্তন সাংসদ ৰিপুণ বৰা আজি এছআইটিৰ সন্মুখত ৪ নং পৃষ্ঠাত

## দুলীয়াজানত আছুৰ সমূহীয়া পদত্যাগ

ই-সংবাদ, দুলীয়াজান, ২৯ মে': সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যখনৰ ৫ পৃষ্ঠাত চাওক

## মুখ্যমন্ত্ৰীৰ পদত্যাগ দাবী অখিলৰ

সাম্প্ৰদায়িক সংঘৰ্ষৰ আশংকা প্ৰকাশ



ই-সংবাদ, ২৯ মে': সাম্প্ৰদায়িক সংঘৰ্ষ লগাই '২৬ৰ বৈতৰণী ২ নং পৃষ্ঠাত






## অস্ত্ৰৰ ঝনঝননি বিচাৰিছে মুখ্যমন্ত্ৰীয়ে!

সংবাদমেলত ভূপেন বৰা



গুৱাহাটী, ২৯ মে': স্পৰ্শকাতৰ অঞ্চলত মাৰণাস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিবলৈ কেবিনেটত গ্ৰহণ কৰা সিদ্ধান্তৰ শেষাংশ ৩ পৃষ্ঠাত

## টীম গৌৰৱ! ঋতুপৰ্ণ কোঁৱৰ, মেঘনাথ ছেত্ৰী, উদয়ক নিযুক্তি

ই-সংবাদ, ২৯ মে': অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতিৰ দায়িত্ব ৫ পৃষ্ঠাত

## গুৱাহাটী উচ্চ ন্যায়ালয় আকৌ উৰুৱাই দিয়াৰ ভাবুকি অজ্ঞাতৰ




ই-সংবাদ, ২৯ মে': আজি অসম আৰক্ষীয়ে লাভ কৰে এটা অখ্যাত ই-মেইল। ই-মেইলটোৱে আজি গুৱাহাটী আৰক্ষীৰ ৩ নং পৃষ্ঠাত







■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ পদত্যাগ দাবী অখিলৰ

পাৰ কৰিব খুজিছে হিমন্ত বিশ্ব শৰ্মাই। হিন্দু-মুছলমানৰ নামত সাম্প্ৰদায়িক সংঘৰ্ষ লগাই '২৬ৰ বৈতৰণী পাৰ কৰিব খুজিছে হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা খিলঞ্জীয়াক সুৰক্ষা দিয়াত বিফল হৈছে। মুখ্যমন্ত্ৰীয়ে শীঘ্ৰে পদত্যাগ কৰা উচিত। আজি এই বিস্ফোৰণ ঘটাইছে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। সংখ্যালঘু এলেকাত অসমৰ খিলঞ্জীয়া মানুহক অনুজ্ঞাপত্ৰ দিয়াৰ কেবিনেট সিদ্ধান্তৰ তীব্ৰ বিৰোধ কৰি এই সিদ্ধান্ত শীঘ্ৰে বাতিল কৰাৰ দাবী জনাই অখিল গগৈয়ে বিজেপি চৰকাৰ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণৰ লক্ষ্য কৰি লয়। আজি অখিল গগৈয়ে সংবাদ মাধ্যমৰ মুখামুখি হৈ কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংখ্যালঘু এলেকাত অসমৰ খিলঞ্জীয়া মানুহক অনুজ্ঞাপত্ৰ দিয়াৰ কথা কৈছে। এয়া হঠকাৰী আৰু আত্মঘাতী সিদ্ধান্ত। যদি চৰকাৰখনে কৈছে অসমৰ খিলঞ্জীয়া মানুহক সুৰক্ষা দিব পৰা নাই তেন্তে চৰকাৰখন ব্যৰ্থ। অৰ্থ হৈছে গৃহ বিভাগ, মুখ্যমন্ত্ৰী ব্যৰ্থ। ব্যৰ্থতাৰ প্ৰতিকাৰ হ'ল মুখ্যমন্ত্ৰী তথা গৃহ বিভাগে পদত্যাগ কৰক। মানুহক নিৰাপত্তা দিব নোৱাৰা চৰকাৰখনে পদত্যাগ কৰক। চৰকাৰে এনে সিদ্ধান্তৰ দ্বাৰা আৰএছএছৰ হাতত বন্দুক তুলি দিবলৈ সিদ্ধান্ত লৈছে। ইয়াৰ জৰিয়তে ২০২৬ চনৰ নিৰ্বাচনত হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষময় পৰিস্থিতিৰ সৃষ্টি কৰিব খুজিছে। নিৰ্বাচনী বৈতৰণী পাৰ কৰিব খোজা হৈছে। অখিল গগৈয়ে কংগ্ৰেছৰ দিনত এনেদৰে নিৰ্বাচনৰ আগত সংঘৰ্ষবিলাক হৈছিল বুলি দাবী কৰি সেই সংঘৰ্ষবিলাকৰ আৰ্কিটেক হিচাপে হিমন্ত বিশ্ব শৰ্মাৰ নাম শুনিছিলো বুলি কৈ কয় যে বিজেপিৰ প্ৰতি মানুহৰ খং-ক্ষোভ বৃদ্ধি পাইছে। ২০২৬ চনত বিজেপি হৰাৰ অৱকাশ হৈছে। ২০২৬ চনৰ পূৰ্বে সংঘৰ্ষ লগাবৰ বাবে এই সিদ্ধান্ত লোৱা হৈছে। বিজেপি, আৰএছএছৰ দ্বাৰা এনেদৰে সংঘৰ্ষ লগাবলৈ মানুহৰ হাতত বন্দুক তুলি দিব খুজিছে। এয়া ভয়ংকৰ। এয়া নিন্দনীয়। এই সিদ্ধান্ত বাতিল কৰা হওক। অসমক অস্থিৰ কৰাৰ স্বাৰ্থত সংখ্যালঘু মানুহক ধৰি ধৰি বিতাড়ন কৰা হৈছে। কোনোবা শিক্ষকক বিতাড়ন কৰা হৈছে। তেওঁলোকৰ গোচৰ ছুপ্ৰিম ক'ৰ্টত চলি থকাৰ পিছতো অবৈধভাৱে বিতাড়ন কৰা হৈছে। সংখ্যালঘু মানুহক ভয় খুৱাব খোজা হৈছে। নতুন এটা পৰিৱেশ গঢ়ি তুলিব খোজা হৈছে। উত্তেজিত পৰিৱেশৰ সৃষ্টি কৰিব খোজা হৈছে। কিছুমান সংগঠনৰ দ্বাৰা খিলঞ্জীয়া আৰু বহিৰাগতৰ মাজত সংঘাত লগাব খোজা হৈছে। চৰকাৰে কিছুমান নেতাক ব্যৱহাৰ কৰি উজনি অসমখন অস্থিৰ কৰিব খুজিছে। বিশেষ কিছুমান সংগঠনক ব্যৱহাৰ কৰা হৈছে। অস্ত্ৰৰ পৰিৱৰ্তে সেই ঠাইসমূহত টহলদাৰী কেম্প বনোৱা হওক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰযুণত তিতি ভেটি বচাবলৈ প্ৰতিবাদ

কামৰূপ জিলাৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত বৰদুৱাৰ বাগানৰ জনজাতি আৱেষ্টনী ভাঙি ১৫০০ একৰ ভূমি ৰাজ্য চৰকাৰে অধিগ্ৰহণ কৰিবলৈ আগবাঢ়িছে। তথাকথিত ছেটেলাইট টাউনৰ নামত পলাশবাৰী সমষ্টিৰ বৰদুৱাৰ বাগানত বসবাস কৰি আছে ২১০০ ৰো অধিক বড়ো, ৰাভা, গাৰো, আদিবাসী পৰিয়াল। যুগ যুগ ধৰি বসবাস কৰি থকা খিলঞ্জীয়াক ভেটি-মাটিৰ পৰা খেদিব খোজা হৈছে। খিলঞ্জীয়াক খেদি অধিগ্ৰহণ কৰা উক্ত ভূমি গুৱাহাটী নগৰ উন্নয়ন বিভাগক আবণ্টন দিবলৈ সিদ্ধান্ত লোৱাৰ বিৰুদ্ধে জনজাতীয় ৰাইজ জাঙুৰ খাই উঠিছে। দীৰ্ঘদিন ধৰি নেৰানেপেৰা প্ৰতিবাদ অব্যাহত ৰাখিছে। জনজাতীয় লোকৰ ভূমি চৰকাৰে অধিগ্ৰহণ কৰিবলৈ আগবঢ়াত প্ৰতিবাদ অব্যাহত আছে। আজি নেৰানেপেৰা বৰষুণক নেওচি কেইবাহাজাৰ জনজাতীয় লোক ভূমি ৰক্ষাৰ বাবে ওলাই আহে। আজি বৰদুৱাৰ বাগান ভূমি পট্টন দাবী সমিতিৰ উদ্যোগত জাৰাপাট খেলপথাৰত বৃহৎ ৰাজহুৱা সভা অনুষ্ঠিত হয়। কোনো কাৰণত জনজাতীয় আৱেষ্টনী ভূমিত চৰকাৰক অধিগ্ৰহণ কৰিব নিদিয়াৰ হুংকাৰ প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, আবাল-বৃদ্ধ-বনিতাই দহোবন কাটি কৰি ঘৰৰ পৰা ওলাই আহে। মূলতঃ শ শ জনজাতি মহিলাই ৰাজহুৱা সভাত অংশ লয়। আজি পুৱাৰে পৰা নেৰানেপেৰা বৰষুণ দি থকাৰ পিছতো তিতি-বুৰি হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ ওলাই আহিছে। আবাল-বৃদ্ধ-বনিতাই নিজৰ পূৰ্বপুৰুষৰ পৰা লাভ কৰা জনজাতীয় আৱেষ্টনী ভূমি কোনো কাৰণত এৰি নিদিয়াৰ হুংকাৰ দিয়ে। অসমৰ জনজাতি এলেকাসমূহত উচ্ছেদ বন্ধ কৰক, জিএমডিঅ' গ'-বেক, জনজাতি আৱেষ্টনী ভাঙিব দিয়া নহ'ব, হিমন্তৰ চৰকাৰ জনজাতি বিৰোধী চৰকাৰ, হিমন্ত বিশ্ব শৰ্মা মিছলীয়া, বিধায়ক হেমাংগ ঠাকুৰীয়া মিছলীয়া, ৰাজহ মন্ত্ৰী যোগেন মহন হায় হায়, দখল যাৰ মাটি তাৰ, প্ৰথমে আমাক মাটি দিয়ক পিছত বণিক গোষ্ঠীক দিয়ক, খিলঞ্জীয়াৰ মাটি উচ্ছেদ বন্ধ কৰক, তেজ দিম মাটি এৰি নিদিম বুলি শ্ল'গান দিয়ে। বেনাৰ-পোষ্টাৰ, ফেষ্টুন হাতে হাতে লৈ জনজাতীয় আবাল,-বৃদ্ধ-বনিতাই আকাশ-পাতাল কঁপাই তোলে। প্ৰচণ্ড বৰষুণকো নেওচি ড০ হিমন্ত বিশ্ব শৰ্মা চৰকাৰক ভূমিৰ অধিকাৰ কাঢ়িব দিয়া নহ'ব বুলি হুংকাৰ দিয়ে। পলাশবাৰী সমষ্টিৰ পলাশবাৰী ৰাজহ চক্ৰৰ বৰদুৱাৰ বাগান অঞ্চলৰ জনজাতীয় লোকৰ ১৫০০ বিঘা ভূমি গতাই দিব খোজা ষড়যন্ত্ৰৰ বিৰুদ্ধে ৰাইজে নিৰৱচ্ছিন্ন প্ৰতিবাদ কৰি যোৱাৰ হুংকাৰ দিয়ে। বিধায়ক হেমাংগ ঠাকুৰীয়াৰ স্থিতিক লৈ সৰৱ জনজাতীয় ৰাইজে কেইবাটাও দশক ধৰি তেওঁলোকৰ দখলত থকা আৰু ট্ৰাইবেল বেল্টৰ ভূমি কোনো কাৰণত অধিগ্ৰহণ কৰিবলৈ দিয়া নহ'ব বুলি হুংকাৰ দিয়ে। গুৱাহাটীৰ সমীপৱৰ্তী পলাশবাৰী সমষ্টিৰ ১৫০০ বিঘা মাটি অধিগ্ৰহণ কৰিব নিদিয়াৰ হুংকাৰ প্ৰদান কৰি আজি পুৱাৰে পৰা দূৰ-দূৰণিৰ গাঁৱৰ জনজাতীয় পুৰুষ-মহিলা নিজৰ দখলৰ মাটি ৰক্ষা কৰিবলৈ একত্ৰিত হয়। দশকৰ পিছত দশক ধৰি দখলত থকা মাটিখিনি হেৰুওৱাৰ ভয়ত শ্ৰমিকে শ্ৰম, দোকানীয়ে দোকান, কৃষকে খেতিপথাৰ এৰি আহে। দহোবন কাটি কৰি কেইবাহাজাৰ লোক সমৱেত হৈ আমি মাটি এৰি নিদিওঁ বুলি স্পষ্ট কৰে। বৰদুৱাৰ বাগান ভূমি পট্টন দাবী সমিতিৰ সভাপতি গোবিন্দ কুমাৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা প্ৰতিবাদী সভাত কেইবাখনো গাঁৱৰ ৰাইজে থলুৱাৰ দখলত থকা ভূমি কোনো কাৰণত এৰি নিদিয়াৰ সংকল্প লয়। প্ৰয়োজনত জংগী আন্দোলন কৰাৰ সংকল্প লয়। কেইবাগৰাকী স্থানীয় নেতাই কয় যে প্ৰয়োজনত তেজ দিম কিন্তু মাটি এৰি নিদিওঁ আৰু এইখন চৰকাৰে জনজাতীয় লোকক টাৰ্গেট কৰি লৈছে, কিন্তু চৰকাৰক ভয় নকৰোঁ বুলিও কয়। সমাৱেশত কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়। মাটিৰ পট্টা নোপোৱা পৰ্যন্ত আৰু মাটি অধিগ্ৰহণ কৰাৰ সিদ্ধান্ত বাতিল নকৰা পৰ্যন্ত সংগ্ৰাম তীব্ৰতৰ কৰাৰ সিদ্ধান্ত লয়। আজি ৰাজহুৱা সভাত অংশ লোৱা ক্ষোভিত জনজাতীয় মহিলাই কয় যে থলুৱাৰ মাটি গতাই দিবলৈ ওলোৱা কাৰ্যৰ বিৰোধ কৰি যাম আৰু প্ৰয়োজনত ৰাজপথত তীব্ৰ আন্দোলন কৰা হ'ব। প্ৰয়োজনত পলাশবাৰী ৰাজহ চক্ৰ কাৰ্যালয় ঘেৰাও কৰাৰ কথা ঘোষণা কৰে। ভূমি পট্টন আন্দোলনৰ নেতাসকলে কয় যে বৰদুৱাৰ বাগান অঞ্চলৰ ৰাইজক ভূমি পট্টা নিদি সেই মাটি আনক গতাই দিব খোজা হৈছে। ৰাইজে মাটি গতাই দিলে ৰাইজ বহি নাথাকে বুলি স্পষ্ট কৰে। চৰকাৰে যিমান যি নকৰক, আমি আমাৰ মাটি এৰি নিদিওঁ বুলিও স্পষ্ট কৰে। ৰাইজ তথা খিলঞ্জীয়াৰ ভূমি গতাই দিয়া নহ'ব বুলি স্পষ্ট কৰে। এজন মাফিয়া, দালালে বেল্টৰ ভূমি চৰকাৰৰ জৰিয়তে আদানি গোষ্ঠীক বিক্ৰী কৰিব খোজাৰ চেষ্টা কাৰ্যকৰী হ'বলৈ দিয়া নহ'ব বুলি কয়। পলাশবাৰীৰ বিধায়ক হেমাংগ ঠাকুৰীয়াক সাক্ষাৎ কৰি থলুৱাৰ ভূমি আদানিক গতাব খোজা কাৰ্যৰ বিৰোধ কৰিছিল যদিও গুৰুত্ব নিদিয়াৰ অভিযোগ আনে। ৰাইজে উল্লেখ কৰা মতে, কেইদিনমান পূৰ্বে উচ্চপদস্থ বিষয়াৰ দল বৰদুৱাৰ বাগানত উপস্থিত হৈছিল। দলটোৱে উচ্ছেদ কৰিবলগীয়া এলেকাৰ পৰিস্থিতিৰ বুজ লৈছিল। তাৰ পিছৰে পৰা বৃহত্তৰ এলেকাৰ জনজাতীয় লোকৰ মাজত হাহাকাৰ লাগে। জাতি-মাটি-ভেটি ৰক্ষাৰ কথা কোৱা বিজেপিৰ দিনত এতিয়া জনজাতীয় পুৰুষ-মহিলাই নিজৰ মাটি-ভেটি ৰক্ষাৰ বাবে আন্দোলন কৰিবলগীয়া হৈছে। আজিৰ সভাত হাজাৰ হাজাৰ লোকে তেজ দি মাটি ৰক্ষাৰ সংকল্প লয়। আজি সক্ৰিয় ৰাজহুৱা কৰ্মী তথা ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতিৰ সভাপতি সুব্ৰত তালুকদাৰ, জয়ন্ত গগৈ উপস্থিত থাকে। সুব্ৰত তালুকদাৰে ৰাজহুৱা সভাত উপস্থিত থাকি উদাত্ত কণ্ঠে কয় যে আমি যদি জাতি-সংস্কৃতি ৰক্ষা কৰিব লাগে মাটি ৰক্ষা কৰিব লাগে তেতিয়া প্ৰথমতে মাটি ৰক্ষা কৰিব লাগিব। মাটি সুৰক্ষিত নহ'লে নতুন প্ৰজন্ম সুৰক্ষিত নহয়। জাতিৰ নামত মাৰিম-কাটিম বুলি কৈ জাতি ৰক্ষা কৰিব নোৱাৰি। জাতি ৰক্ষা কৰিব নোৱাৰিলে আদানি-আম্বানিৰ বিৰুদ্ধে যুঁজিব লাগিব। সংঘবদ্ধ কৰ্প'ৰেট বিৰোধী আন্দোলনেহে অসমীয়া জাতিৰ ভৱিষ্যৎ নিৰ্ণয় কৰিব- কয় তালুকদাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটী উচ্চ ন্যায়ালয় আকৌ উৰুৱাই

নিদ্ৰাহৰণ কৰে। অখ্যাত স্থানৰ পৰা অহা ই-মেইলটোত কৰা হৈছিল এক বিস্ফোৰক দাবী। যি দাবীৰ কথা অৱগত হৈ আৰক্ষীৰ কপলাৰ ঘাম ওলায়। লগে লগে সক্ৰিয় হ'বলগীয়া হয় গুৱাহাটী আৰক্ষী। ই-মেইলযোগে অজ্ঞাত লোকে গুৱাহাটী উচ্চ ন্যায়ালয় উৰুৱাই দিয়াৰ ভাবুকি দিয়াত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ই-মেইল পোৱাৰ পিছতে উচ্চ ন্যায়ালয়ৰ ভিতৰত তালাচী চলাবলৈ উপস্থিত হয় আৰক্ষীৰ দল। আৰক্ষীৰ দলে তন্ন তন্নকৈ তালাচী চলায় যদিও কোনো বিস্ফোৰক উদ্ধাৰ হোৱা নাই বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, আজি হঠাতে আৰক্ষীয়ে এটা ই-মেইল লাভ কৰে। ই-মেইলটোত উচ্চ ন্যায়ালয় বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি প্ৰদান কৰে। ই-মেইল পোৱাৰ পিছতে দৌৰা-দৌৰি লাগে গুৱাহাটী আৰক্ষীৰ। বোমা স্কোৱাডৰ দলসহ আৰক্ষীৰ কেইবাটাও দল উচ্চ ন্যায়ালয়ত উপস্থিত হয়। তাৰ পিছতে সমগ্ৰ উচ্চ ন্যায়ালয় চৌহত তন্ন তন্নকৈ তালাচী চলোৱা হয়। যাক লৈ আতংকৰ সৃষ্টি হয়। ন্যায়াধীশ, অধিবক্তা, গুচৰীয়া-পদকীয়াৰ মাজত হাহাকাৰ লাগে। কিন্তু তেনে কোনো সন্দেহজনত সামগ্ৰী উদ্ধাৰ নহ'ল। কিন্তু গুৱাহাটী আৰক্ষীয়ে বিষয়টোক গুৰুত্বসহকাৰে লৈ বিশেষ নিৰাপত্তাৰ ব্যৱস্থা কৰিছে। অখ্যাত মেইলৰ পৰা অহা ই-মেইলটো পৰীক্ষা কৰি থকা বুলি জানিব পৰা গৈছে। ই-মেইলটো ক'ৰ পৰা, কোনে প্ৰেৰণ কৰিছে সেই তথ্য উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰিছে। অসম আৰক্ষী বা গুৱাহাটী আৰক্ষীয়ে কোনো আনুষ্ঠানিক বিবৃতি জাৰি কৰা নাই। গুৱাহাটী উচ্চ ন্যায়ালয় বোমাৰে উৰুৱাই দিয়াৰ ভাবুকিৰ খবৰ প্ৰচাৰ হোৱাত উচ্চ ন্যায়ালৰ অধিবক্তাসকলৰ লগতে উচ্চ ন্যায়ালয়ত সমৱেত লোকসকলৰ মাজত আতংকৰ সৃষ্টি কৰে। উল্লেখ্য যে কেবাখনো ৰাজ্যতো এনেধৰণৰ ভাবুকি অহা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অস্ত্ৰৰ ঝনঝননি বিচাৰিছে মুখ্যমন্ত্ৰীয়ে!

বিৰুদ্ধে সৰৱ হৈ পৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ সদ্যপ্ৰাক্তন সভাপতি ভূপেন বৰা। গুৱাহাটীৰ নিজ বাসগৃহত বুধবাৰে বৰাই এখন সংবাদমেল সম্বোধন কৰি স্পৰ্শকাতৰ অঞ্চলত খিলঞ্জীয়াক মাৰণাস্ত্ৰৰ অনুজ্ঞাপত্ৰ দিয়াৰ বাবে ৰাজ্যিক কেবিনেটে লোৱা সিদ্ধান্তক অসংবেদনশীল আৰু চৰম দায়িত্বজ্ঞানহীন আখ্যা দিয়ে। তেওঁ কয়, "মুখ্যমন্ত্ৰীয়ে যিদৰে মাৰণাস্ত্ৰ দিয়াৰ এটা সংস্কৃতি গঢ়িব খুজিছে এয়া কেৱল সাম্প্ৰদায়িক, গোষ্ঠীগত সংঘৰ্ষ সৃষ্টিৰ উদ্দেশ্যে লৈছে। মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীয়ে আইন-শৃংখলা নিয়ন্ত্ৰণত ব্যৰ্থ বুলি বুজাব খুজিছে নেকি?" তেওঁ আৰু কয়, "অসমৰ মানুহে চৰাইৰ মাতত পুৱা সাৰ পাইছিল। আমাৰ মূৰৰ ওপৰেদি এনেকুৱা দিন পাৰ হৈ গৈছিল যেতিয়া আমি মাজনিশা বন্দুকৰ শব্দত সাৰ পাইছিলো। কিন্তু মুখ্যমন্ত্ৰীয়ে পূৰ্বৰ এই বিভীষিকাময় দিনবোৰ ঘূৰাই আনিব বিচাৰিছে। বন্দুকৰ ঝনঝননি লাহে লাহে কমি আহিছিল।" ভূপেন বৰাৰ অভিযোগ, "মোৰো বৈধ অস্ত্ৰ আছে। যেতিয়া মোৰ জীৱনৰ প্ৰতি ভাবুকি আহিছিল গৃহ বিভাগে তদন্ত কৰি নীতি-নিয়ম অনুসৰি দিছিল। অস্ত্ৰ ব্যৱহাৰ প্ৰসংগত মোৰ দায়বদ্ধতা আছে। কিন্তু হিমন্ত বিশ্ব শৰ্মাই যিটো প্ৰক্ৰিয়াৰে লাইচেন্স দিব বিচাৰিছে, আমেৰিকাৰ গান কালচাৰৰ দৰে, অসমত যিদৰে দা-কটাৰীও হাতত নাথাকে, বিপৰীতে বন্দুক থাকে কিছুমান ৰাষ্ট্ৰত, সেইদৰে দিব বিচাৰিছে।" এনে কেবিনেট সিদ্ধান্তক হঠকাৰী আখ্যা দি বৰাই প্ৰশ্ন কৰে, "অপৰাধ নিয়ন্ত্ৰণৰ দায়িত্ব যদি সাধাৰণ ৰাইজক দিয়ে তেন্তে পুলিচৰ কি কাম থাকিব? য'ত পুলিচৰ আন্তঃগাঁথনি নাই তাত গুৰুত্ব নিদি আন বিষয়ত গুৰুত্ব দিছে। অস্ত্ৰ-শস্ত্ৰ আইনৰ কথা মুখ্যমন্ত্ৰীয়ে নাজানিলেও মুখ্য সচিব, গৃহ সচিবে নাজানে নেকি?" সংবাদমেলৰ জৰিয়তে বৰাই অসমত শান্তি-সম্প্ৰীতি অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত মুখ্যমন্ত্ৰীক আহ্বান জনাই কয়, "আমাক বন্দুক নালাগে, আমাক সংস্থাপন দিয়ক। যিসকলে বন্দুকৰ অনুজ্ঞাপত্ৰ বিচাৰিছে তেওঁলোকক বিধিগতভাৱে অনুজ্ঞাপত্ৰ দিয়ক। কিন্তু এনেদৰে জথেমথে অনুজ্ঞাপত্ৰ দিয়াটো চৰম দায়িত্বজ্ঞানহীন সিদ্ধান্ত।" আজিৰ সংবাদমেলত আন কেইবাটাও বিষয়ক লৈও মন্তব্য কৰে প্ৰদেশ কংগ্ৰেছৰ সদ্য প্ৰাক্তন সভাপতিগৰাকীয়ে। ৰিপুণ বৰাক গৌৰৱ গগৈৰ পাকিস্তান লিংক প্ৰসংগত আৰক্ষীয়ে চমন দিয়া সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ভূপেন বৰাই কয় যে মুখ্যমন্ত্ৰীয়ে কথা সলনি কৰি মানুহক মূল বিষয়ৰ পৰা আঁতৰাই ৰাখিবলৈ নকৰিবলগীয়া কামবোৰ কৰি আছে। গুৱাহাটীৰ কৃত্ৰিম বান সন্দৰ্ভত ভূপেন বৰাই কয়, "গুৱাহাটীৰ আজিৰ অৱস্থা চাওক, কেৱল পানী আৰু পানী। স্মাৰ্ট চিটী বুলি কোৱা গুৱাহাটীত বিদেশ বা বহিংৰাজ্যৰ যিসকল লোক আছে তেওঁলোকে গুৱাহাটীৰ আচল ছবিসমূহ আজি দেখিছে।" আনহাতে ইন্দিৰা গান্ধী ষ্টেডিয়ামৰ নাম সলনি কৰাক লৈও মন্তব্য কৰে ভূপেন বৰাই। তেওঁ কয়, "ইন্দিৰা গান্ধী ষ্টেডিয়ামৰ নাম সলনি কৰাতকৈ আন এখন ষ্টেডিয়াম নিৰ্মাণ কৰি নামকৰণ কৰিলেহে উন্নয়ন কৰা বুলি ক'ব পাৰি। নাম সলনি কৰাতো তেনেই সহজ কথা।?"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ট্ৰাম্পক বিদায় জনাই ৰাজনীতি এৰিলে

সম্পৰ্কৰ! মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ প্ৰশাসনৰ পৰা নাটকীয়ভাৱে পদত্যাগ কৰিলে বিশ্বৰ অন্যতম প্ৰভাৱশালী ব্যক্তি, ধনকুবেৰ ইলন মাস্কে। পেৰিছ জলবায়ু চুক্তিৰ পৰা আমেৰিকাই আঁতৰি যাব বুলি ট্ৰাম্পে কৰা ঘোষণাৰ মাত্ৰ কিছু সময় পিছতে প্ৰশাসনৰ দুখন গুৰুত্বপূৰ্ণ পৰামৰ্শদাতা পৰিষদৰ পৰা পদত্যাগৰ কথা ঘোষণা কৰে টেছলা আৰু স্পেচএক্সৰ মুৰব্বী মাস্কে। অৱশ্যে বিগত কিছুদিন আগৰে পৰাই তেওঁৰ পদত্যাগক লৈ চলি আহিছিল জল্পনা-কল্পনা। কিন্তু মাস্কৰ এই পদত্যাগ এই মুহূৰ্তত ট্ৰাম্প আৰু ছিলিকন ভেলীৰ আগশাৰীৰ ব্যক্তিসকলৰ মাজত নজিৰবিহীন আৰু তীব্ৰ নীতিগত সংঘাতৰ চূড়ান্ত বিচ্ছেদ হিচাপে পৰিগণিত হৈছে। মন কৰিবলগীয়া যে, জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুঁজিবলৈ আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ মূল স্তম্ভ পেৰিছ চুক্তিৰ পৰা আমেৰিকাই নিজক প্ৰত্যাহাৰ কৰাৰ ঘোষণাৰ প্ৰতি কঠোৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি এই পদত্যাগৰ সিদ্ধান্ত লোৱা বুলি কয় ইলন মাস্কে। 'এক্স' নিজৰ পদত্যাগৰ কথা সদৰী কৰি মাস্কে লিখিছে, "মই ৰাষ্ট্ৰপতিৰ পৰামৰ্শদাতা পৰিষদৰ পৰা পদত্যাগ কৰিছো। জলবায়ু পৰিৱৰ্তন এটা বাস্তৱিক সত্য। পেৰিছ চুক্তিৰ পৰা আঁতৰি থকাটো আমেৰিকা বা বিশ্বৰ বাবে ভাল নহয়।" উল্লেখ্য যে, উদ্যোগ ক্ষেত্ৰত অভূতপূৰ্ব সাফল্যৰ পিছত ট্ৰাম্প প্ৰশাসনৰ জৰিয়তে ৰাজনৈতিক ক্ষেত্ৰখনতো ভৰি দিছিল মাস্কে। কিন্তু আৰম্ভণিৰে পৰা বিভিন্ন বিষয়ত সৃষ্টি হৈ অহা মতানৈক্যৰ পৰিপ্ৰেক্ষিতত মাস্কৰ বাবে এই যাত্ৰা দুৰূহ যেন পৰিলক্ষিত হৈছিল। আৰু এনে কাৰণতে অৱশেষত ধনকুবেৰ মাস্কে অন্ত পেলায় তেওঁৰ এই পৰীক্ষামূলক নতুন যাত্ৰাৰ। উল্লেখ্য যে, ইয়াৰ পূৰ্বে ইলন মাস্ক ৰাষ্ট্ৰপতিৰ 'মেনুফেকচাৰিং জবছ ইনিচিয়েটিভ' আৰু 'ষ্ট্ৰেটেজিক এণ্ড পলিচি ফ'ৰাম'ৰ দৰে উচ্চ পৰ্যায়ৰ পৰামৰ্শদাতা পৰিষদৰ সৈতে জড়িত আছিল। জলবায়ু পৰিৱৰ্তন আৰু নবীকৰণযোগ্য শক্তিৰ সম্প্ৰসাৰণৰ ওপৰত তেওঁৰ গভীৰ বিশ্বাস সকলোৱে জানে, যিটো ট্ৰাম্প প্ৰশাসনৰ নীতিৰ সৈতে মৌলিকভাৱে বিৰোধী আছিল। এই পদত্যাগ কেৱল প্ৰশাসনিক দায়িত্বৰ পৰা আঁতৰি যোৱাই নহয়, বিশ্ব জলবায়ু নীতিৰ ভৱিষ্যতক লৈ চোকা মতাদৰ্শগত বিভাজনৰ ওপৰতো আলোকপাত কৰে। মাস্কৰ হঠাৎ বিদায়ে ৱাশ্বিংটনৰ ৰাজনৈতিক আৰু টেক মহলত আলোড়নৰ সৃষ্টি কৰিছে, য'ত এফালে ট্ৰাম্পৰ "আমেৰিকা ফাৰ্ষ্ট" নীতি আৰু আনফালে জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত বিশ্ব ঐক্যৰ আহ্বানৰ মাজত স্পষ্ট বিভাজন এতিয়া আৰু অধিক স্পষ্ট হৈ পৰিছে। এতিয়া মাস্ক-ট্ৰাম্পৰ সম্পৰ্কই কোন দিশে গতি কৰে সেয়া লক্ষণীয় হ'ব।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দলৰ ডেমেজ কন্ট্ৰ'লৰ বাবে কথা কৈছিল

উপস্থিত হয়। যোৰহাটৰ সাংসদ তথা প্ৰদেশ কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি গৌৰৱ গগৈৰ হৈ মাত মতা ৰিপুণ বৰাক আজি মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে প্ৰায় ৪ ঘণ্টা জেৰা চলায়। আজি প্ৰায় চাৰি ঘণ্টা ধৰি জেৰা চলোৱাৰ অন্তত ৰিপুণ বৰাই সংবাদ মাধ্যমৰ আগত কয় যে তেওঁলোকে যি যি প্ৰশ্ন কৰিছিল, মই সকলো উত্তৰ দিছোঁ। মূলতঃ মোৰ সংবাদমেল আৰু সাংসদ গৌৰৱ গগৈৰ পক্ষত মই দিয়া মন্তব্য, বিশেষকৈ পাকিস্তান ভ্ৰমণৰ অভিযোগ লৈ প্ৰশ্ন কৰা হৈছিল। আলী তৌকিৰ শ্বেখক চিনি পোৱাক লৈ প্ৰশ্ন কৰা হৈছিল। ৰিপুণ বৰাই আলী তৌকিৰ শ্বেখক কেনেকৈ চিনি পায় সেই কথা সোধা বুলি কৈ তেওঁৰ বিষয়ে জ্ঞাত নহয় বুলি কোৱা বুলি কয়। লগতে মাতিলে পুনৰ উপস্থিত হ'ম বুলি কয়। আনহাতে ৰিপুণ বৰাই এই সন্দৰ্ভত দুজন লোকক সোধা-পোছা কৰিবলৈ পৰামৰ্শ দিয়া বুলি কয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কমলপুৰৰ বিধায়ক দিগন্ত কলিতাক সোধা-পোছাৰ বাবে মাতিবলৈ মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষক পৰামৰ্শ দিয়া বুলি কয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈৰ বিৰুদ্ধে প্ৰমাণ আছে বুলি দাবী কৰিছে। মুখ্যমন্ত্ৰীয়ে পাকিস্তান এম্বেছীৰ ফটো প্ৰকাশ কৰিছিল। সেয়া সম্পূৰ্ণৰূপে বিকৃত আৰু সম্পাদিত আছিল। ইপিনে, যুদ্ধকালীন অৱস্থাত মুখ্যমন্ত্ৰীয়ে কেনেকৈ পাকিস্তানৰ সৈতে যোগাযোগ স্থাপন কৰিব পাৰিলে সেইটোও তদন্তৰ বিষয়। ৰিপুণ বৰাই দিগন্ত কলিতাৰ ভূমিকা সন্দৰ্ভত প্ৰশ্ন কৰি কয় যে তেওঁক মই মাতিবলৈ কৈছোঁ। অলপতে তেওঁ গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণ সন্দৰ্ভত ১৫ দিনীয়া সূচী ছ'চিয়েল মিডিয়াত আপলোড কৰিছিল। তেতিয়া দিগন্ত কলিতা কংগ্ৰেছত আছিল। মই মনত পেলাইছোঁ, ২০১৩ চনত যেতিয়া গৌৰৱ গগৈ পাকিস্তানলৈ গৈছিল গৌৰৱ গগৈৰ বন্ধু আৰু দিগন্ত কলিতাও কংগ্ৰেছৰ সদস্য আছিল। সম্ভৱতঃ তেওঁ লগত গৈছিল। এছআইটিয়ে যদি দিগন্ত কলিতাক সোধে, তেন্তে বহু গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ আহিব। গৌৰৱ গগৈৰ বন্ধু আছিল দিগন্ত কলিতা। গতিকে দিগন্ত কলিতাক মাতিব লাগে। কাৰণ তেওঁ লগত নাথাকিলে এনেদৰে ইমান কথা ক'ব নোৱাৰে। দিগন্ত কলিতাক যদি মাতে সকলো খবৰ লাভ কৰিব পাৰিব। ৰিপুণ বৰাই কংগ্ৰেছ দলে আইনৰ প্ৰতি শ্ৰদ্ধা কৰে বুলি উল্লেখ কৰি কয় যে মাতিলে আকৌ আহিম। কংগ্ৰেছ দলে দেশৰ আইনক সন্মান কৰে। যদি মোক পুনৰ মতা হয়, মই নিশ্চয় উপস্থিত হ'ম। ইপিনে সকলোকে আচৰিত কৰি ৰিপুণ বৰাক জেৰা কৰাৰ পিছতে বিশেষ তদাৰকী কোষৰ মুৰব্বী ৰজী কলিতাই সংবাদ মাধ্যমক বক্তব্য প্ৰদান কৰে। ৰজী কলিতাই কয় যে আমি যি বিচাৰিছোঁ সেই তথ্যটো তেওঁ দিব নোৱাৰিলে। মিটিং থকাৰ কথা কোৱাত সোনকালে যাবলৈ দিয়া হয়। তেওঁক সময় দিছোঁ, আমাক তথ্যখিনি আনি দিয়াৰ বাবে। ৰজী কলিতাই লগতে কয় যে তেওঁ কৈছে যে মোৰ ভুল হৈ গ'ল, মই এনেকৈ ক'ব নালাগিছিল। ৰাজনৈতিকভাৱে কিছু কথা ক'ব লগা হ'ল বুলি কয়। দলৰ ডেমেজ কণ্ট্ৰোলৰ বাবেহে সেই কথা ক'বলগীয়া হৈছিল। ৰজী কলিতাই আৰু কয় যে তদন্ত চলি আছে। সময়ত তেওঁক পুনৰ মতা হ'ব পাৰে। কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ তথাকথিত পাকিস্তান সংযোগ সন্দৰ্ভত সংবাদমেল সম্বোধন কৰি গৌৰৱ গগৈৰ পত্নীয়ে পাকিস্তান চৰকাৰৰ পৰা দৰমহা লোৱাৰ কথা উল্লেখ কৰিছিল। তাৰ পিছতে এছআইটিৰ ৫/২৫ নম্বৰৰ গোচৰৰ বাবে বৰাক উপস্থিত হ'বলৈ জাননী জাৰি কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰুক্মিণীগাঁৱত নাও, বানত বিঁলৈ মহানাগৰিকৰ

মহানগৰীক এতিয়া মহাসাগৰ বুলি ক'ব পৰা হৈছে। এতিয়া এজাক বৰষুণতে ৰাজ্যৰ ৰাজধানী হৈ পৰে মহাসাগৰ। ঠায়ে ঠায়ে একাঁঠুৰ পৰা একঁকাল পৰ্যন্ত পানী। স্কুল-কলেজলৈ যাব নোৱাৰা পৰিৱেশ। মহানগৰীৰ সকলোতকৈ পয়লগা অৱস্থা ৰুক্মিণীগাঁৱত। ৰুক্মিণীগাঁৱত একঁকাল পৰ্যন্ত পানী। ৰাজপথত নাগৰিকক আহ-যাহ কৰিবলৈ নাও চলাইছে এছডিআৰএফে। ৰুক্মিণীগাঁৱত গাড়ীৰ বাবে বৈ থকা এগৰাকী দুৰ্ভগীয়া মহিলাই একেখিনি কাণ্ডৰ বাৰে বাৰে পুনৰাবৃত্তি হৈ থকা বুলি কয়। সমস্যাৰ কোনো সমাধান নাই। দুই-তিনিবছৰ ধৰি একেইখিনি কথা, একেইখিনি সমস্যা। স্কুল ছুটী হ'ল। ল'ৰ-ছোৱালী ঘণ্টাৰ পিছত ঘণ্টা ধৰি বৈ থাকিবলগীয়া হয়। আমি ঘৰৰ পৰা ওলাব নোৱাৰোঁ। ঘৰত পানী নাই। মানুহৰ চলিব নোৱৰা অৱস্থা হৈছে। এগৰাকী দিন-হাজিৰা কৰি খোৱা লোকে কয় যে ডাঙৰ মানুহবোৰৰ ডাঙৰ গাড়ী আছে। তেওঁলোকে পানী হ'লেও গাড়ীৰে যাব পাৰে। কিন্তু আমাৰ পানী হ'লে ঘৰৰ পৰা ওলাব নোৱাৰোঁ। বহুত সমস্যা হৈছে। কালি নিশাৰ এজাক বৰষুণতে সমগ্ৰ গুৱাহাটীবাসীয়ে নৰক যন্ত্ৰণাত সময় পাৰ কৰিবলগীয়া হৈছে। মহানগৰীৰ ৰুক্মিণীগাঁৱত পৰিয়ালসমূহ গৃহবন্দী হৈ থাকিবলগীয়া হৈছে। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, কৰ্মক্ষেত্ৰলৈ যাবলগীয়া লোকসকল গৃহবন্দী হয়। ৰুক্মিণীগাঁৱত নাও চলে। কৃত্ৰিম বানৰ বাবে ভয়াৱহ পৰিস্থিতিত ৰুক্মিণীগাঁৱৰ ৰাজপথত এছডিআৰএফে নাও চলাই নাগৰিকক আহ-যাহত সহায় কৰে। গুৱাহাটীবাসীৰ জনজীৱন স্তব্ধ হৈ পৰিছে। চৌদিশে মহাসাগৰসদৃশ পৰিস্থিতি। বহু এলেকাত মানুহৰ ঘৰৰ চৌহদত পানী সোমাই মানুহ ঘৰৰ পৰা ওলাব পৰা পৰিৱেশ নোহাৰা হৈছে। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে ঘৰতে থাকিবলগীয়া হোৱাৰ লগতে চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ৰ কৰ্মচাৰীয়ে কামলৈ যাব নোৱাৰিলে। কিছু কৰ্মচাৰীয়ে পানী ফালি কাৰ্যালয়লৈ গৈছে। এজন বৰষুণতে গুৱাহাটী মহানগৰী নৰক হৈ পৰে। কৃত্ৰিম বানত ডুব গৈ গুৱাহাটী মহানগৰখনে কদৰ্য ৰূপ ধাৰণ কৰে। ভৰ বাৰিষাৰ সময় আহি পৰা নাই। ভৰ বাৰিষালৈ বহুদিন বাকী থকা অৱস্থাতে গুৱাহাটী বাৰে বাৰে ডুবাত হাহাকাৰ লাগিছে ৰাইজৰ মাজত। পথ, উপপথ পানীত ডুব যায়। চৰকাৰী অব্যৱস্থাৰ বাবে গুৱাহাটী মহানগৰীৰ অৱস্থা অবৰ্ণনীয় হৈ পৰিছে। নিশাৰ বৰষুণৰ পিছতে চৌদিশে কেৱল পানী আৰু পানী। বৰষুণে চৰকাৰৰ উন্নয়ন উন্নয়ন বুলি চিঞৰি থকা দম্ভ-অহংকাৰ কৃত্ৰিম বানত উটি-ভাহি যায়। বৰষুণৰ পিছতে গুৱাহাটীৰ বহু এলেকাত জনজীৱন স্তব্ধ হৈ পৰে। বহু এলেকাত খোৱা পানী অবিহনে আবদ্ধ হৈ থকাৰ লগতে বিশুদ্ধ খোৱাপানীৰ অভাৱত ককবকাবলৈ বাধ্য হয় মহানগৰীৰ বাসিন্দাই। মহানগৰীৰ অনিলনগৰৰ ৰাস্তাত এবুকু পৰ্যন্ত পানী হয়। বানৰ পিছতে অনিলনগৰৰ বাসিন্দা বানত আবদ্ধ হৈ পৰে। অনিলনগৰ মহাসাগৰ হৈ পৰে। চানমাৰিৰ মণিৰাম দেৱান পথত মহাসাগৰসদৃশ পৰিৱেশ দেখা যায়। কেৱল অনিলনগৰ, নবীননগৰ কিম্বা চানমাৰিৰ মণিৰাম দেৱান পথেই নহয় সিজুবাৰী, ডাউন-টাউন, ছয়মাইল, যোৰাবাট, গীতানগৰ, পাঞ্জাবাৰী, সাতগাঁও, চানমাৰি, ৰুক্মিণীগাঁও, লেম্ব ৰোড, পূব শৰণীয়া, শিলপুখুৰী, বামুণীমৈদাম, আমবাৰী ভয়ংকৰ কৃত্ৰিম বানৰ কবলত পৰে। আজি আবেলি পৰ্যন্ত গুৱাহাটী মহানগৰীৰ অৱস্থা অবৰ্ণনীয় হৈয়ে থাকে। ঠায়ে ঠায়ে নলা নিৰ্মাণৰ বাবে গাঁত খান্দি থোৱাত মৰণফান্দত পৰিণত হৈছে। শিল-বালি পথৰ দাঁতিত দ'মাই থোৱাৰ লগতে ঠায়ে ঠায়ে ৰড ওলাই থকাত পৰিৱেশ ভয়াৱহ হৈ পৰিছে। এনেদৰে এতিয়া ভয়াৱহ হৈ পৰিছে মহানগৰীৰ পৰিৱেশ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বন্দুক দি ৰাজ্য অস্থিৰ কৰিব খুজিছে

খিলঞ্জীয়াক সুৰক্ষা প্ৰদানৰ বাবে হাতত আগ্নেয়াস্ত্ৰ তুলি দিবলৈ হিমন্ত বিশ্ব শৰ্মা চৰকাৰে গ্ৰহণ কৰা কেবিনেট সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছে ড০ হীৰেন গোহাঁইয়ে। আজি বিশিষ্ট বুদ্ধিজীৱীগৰাকীয়ে এখন সংবাদমেল সম্বোধন কৰি ৰাজ্য চৰকাৰে নিজকে সুৰক্ষিত কৰিবলৈ খিলঞ্জীয়াক বন্দুকৰ অনুজ্ঞাপত্ৰ দিবলৈ লোৱা সিদ্ধান্তৰ তীব্ৰ বিৰোধ কৰে। একপ্ৰকাৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে গৰজি উঠে বিশিষ্ট বুদ্ধিজীৱীগৰাকী। উল্লেখ্য যে, এদিন পূৰ্বে ড০ হিমন্ত হিশ্ব শৰ্মাৰ কেবিনেটে ৰাজ্যৰ স্পৰ্শকাতৰ অঞ্চলত বসবাস কৰা খিলঞ্জীয়াক মাৰণাস্ত্ৰ ৰখাৰ অনুজ্ঞাপত্ৰ অগ্ৰাধিকাৰৰ ভিত্তিত প্ৰদান কৰিব বুলি সিদ্ধান্ত লৈছিল। গুৱাহাটী প্ৰেছ ক্লাবত নাগৰিকত্ব সংশোধনী আইন বিৰোধী সমন্বয় সমিতিৰ বেনাৰত বুদ্ধিজীৱী ড০ হীৰেন গোহাঁইয়ে এখন সংবাদমেল সম্বোধন কৰি কয় যে জনতাৰ হাতত বন্দুক তুলি দিবলৈ চৰকাৰে লোৱা সিদ্ধান্ত অতিকৈ হঠকাৰী কাৰ্য। এই কাৰ্যৰ জৰিয়তে ফেচিষ্ট চৰকাৰখনে ৰাজ্যখন অস্থিৰ কৰিবলৈ বিচাৰিছে। লগতে শেহতীয়াকৈ চলি থকা বাংলাদেশী গ্ৰেপ্তাৰ অভিযানকলৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি ড০ হীৰেন গোহাঁইয়ে কয় যে শেহতীয়াকৈ কিছুদিন ধৰি আৰক্ষীয়ে ৰাজ্যৰ চৌদিশে বিদেশী বিতাড়ণৰ নামত প্ৰকৃত ভাৰতীয় লোকক আটক কৰাটো অতি দুৰ্ভাগ্যজনক কথা। ইয়াৰ বিৰুদ্ধে মানৱ অধিকাৰ আয়োগ আৰু আদালতলৈ যাব লাগে। প্ৰয়োজন হ'লে চৰকাৰৰ বিৰুদ্ধে ব্যাপক আন্দোলনৰ গঢ়ি তুলিব লাগে দল-সংগঠনে। প্ৰদেশ কংগ্ৰেছৰ নৱ নিযুক্ত সভাপতি গৌৰৱ গগৈলৈ অভিনন্দন জনাই সকলো বিৰোধীক একত্ৰিত কৰিবলৈ পৰামৰ্শ আগবঢ়াই ড০ গোহাঁইয়ে। আনহাতে নগাঁৱৰ কামপুৰত সাংবাদিক নিগৃহিত সন্দৰ্ভত কঠোৰ ভাষাৰে সমালোচনা কৰি আৰক্ষী প্ৰশাসনক এনে কাৰ্যৰ পৰা আঁতৰি থাকিবলৈকো সকীয়াই দিয়ে বিশিষ্ট বুদ্ধিজীৱীগৰাকীয়ে। আৰক্ষী প্ৰশাসনক চৰকাৰৰ শ্ৰুতলিপি মতে কাম নকৰিবলৈ কৈ ড০ গোহাঁইয়ে ৰাইজৰ স্বাৰ্থত কাম কৰিবলৈ কয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুলীয়াজানত আছুৰ সমূহীয়া পদত্যাগ

ভিতৰতে অন্যতম শক্তিশালী দুলীয়াজান আঞ্চলিক সমিতিখন নিশকটীয়া হোৱাৰ দিশে আগবাঢ়িছে। কেন্দ্ৰীয় নেতৃত্বৰ 'য়েছ বছ' নীতি অগ্ৰাহ্য কৰি হঠাৎ সমিতিৰ সভাপতি দিগন্ত বড়াই পদত্যাগ কৰিছে। লগতে পদত্যাগ কৰিছে সহকাৰী সাধাৰণ সম্পাদক বেদান্ত খনিকৰ, বিত্ত সম্পাদক শচীন্দ্ৰ সোনোৱাল, ক্ৰীড়া সম্পাদক ৰোহন বৰুৱা, সাহিত্য সম্পাদক সমীৰণ মিশ্ৰ, ভাদৈ শাখা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আনন্দ কুৰ্মীয়ে। ইফালে, দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত নাওহলীয়া শাখা-ছাত্ৰ সন্থাই সমূহীয়াভাৱে পদত্যাগ কৰিছে। শাখা সমিতিখনৰ সভাপতি-সম্পাদক ক্ৰমে ৰোহিত ইন্দুৱাৰ, অৰুণ চুৰা সহিতে আন ২৫ জনে অব্যাহতি লোৱাৰ কথা ঘোষণা কৰে। বি এন সিং পেট্ৰল পাম্পৰ ঘটনাৰ বাবে আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক কাৰাগাৰলৈ নিক্ষেপ কৰাৰ পিছত আছুৱে সংবাদমেল অনুষ্ঠিত কৰি ঘোষণা কৰা স্থিতিৰ পিছত দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ সমূহীয়া অব্যাহতি মন কৰিবলগীয়া। আনুষ্ঠানিকভাৱে কোনেও মুখ নুখুলিলেও শংকৰজ্যোতি বৰুৱাক কেন্দ্ৰ কৰি বিগত কিছুদিনৰপৰা সদৌ অসম ছাত্ৰ সন্থাত পদত্যাগৰ জোৱাৰ অব্যাহত আছে। শংকৰজ্যোতি বৰুৱাৰ বিৰুদ্ধে যৌন কেলেংকাৰীৰ অভিযোগ উত্থাপন হোৱাৰ পিছতে আছু দুভাগত বিভক্ত হোৱাৰ সম্ভাৱনা দেখা গৈছিল যদিও আনুষ্ঠানিকভাৱে সেয়া কাৰ্যকৰী হোৱা দেখা নগ'ল। কিন্তু উজনি অসমৰ বিভিন্ন জিলা আৰু আঞ্চলিক সমিতিৰ শ শ আছু সদস্যই এই ঘটনাৰ পিছৰপৰাই ব্যক্তিগত কাৰণৰ দোহাই দি সংগঠনটো ত্যাগ কৰাৰ পিছত এয়া প্ৰাক্তন সাধাৰণ সম্পাদকজনৰে প্ৰভাৱ বুলি চৰ্চিত হৈ আহিছে। শেহতীয়াকৈ বি এন সিং পেট্ৰ'ল ডিপু-কাণ্ডৰ পিছত কাৰামুক্ত হৈ অহাৰ এদিন পিছতে শংকৰজ্যোতিৰ গৃহ শাখা ছাত্ৰ সন্থা আৰু আঞ্চলিক ছাত্ৰ সন্থাতো পদত্যাগৰ জোৱাৰ উঠিছে। ছাত্ৰনেতাজনৰ গৃহ নাওশলীয়া শাখা ছাত্ৰ ছাত্ৰ সন্থাই সমূহীয়াভাৱে যোৱানিশা পদত্যাগ কৰাৰ লগতে দুলীয়াজান আঞ্চলিক সমিতিৰ সভাপতি দিগন্ত বড়াসহ কেবাজনো বিষয়ববীয়া আৰু সদস্যই পদত্যাগ কৰিছে। ইফালে, আজি ডিব্ৰুগড়ত জিলা ছাত্ৰ সন্থাৰ এখন সভাত অহা জুলাই মাহৰ ভিতৰত দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ অধিৱেশন অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা বুলি জানিব পৰা গৈছে। তাৎপৰ্যপূৰ্ণভাৱে অহা ৩১ মে'ৰ আবেলি ৪ বজাত জয়ানগৰস্থিত শ্বহীদ ভৱনত অনুষ্ঠিত হ'বলগীয়া প্ৰাক্তন আছুৰ বিশেষ বৈঠকলৈ দুলীয়াজানৰ সকলো প্ৰাক্তন আছুৰ নেতা-কৰ্মীক আহিবলৈ উদ্যোক্তসকলে অনুৰোধ জনোৱা কাৰ্যয়ো এতিয়া উৎকণ্ঠাৰ সৃষ্টি কৰিছে। সি যিকি নহওক অসমৰ ভিতৰতে অন্যতম শক্তিশালী আঞ্চলিক সমিতি হিচাপে ইতিসাহ বিজড়িত দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাত হোৱা এই খহনীয়াই সংগঠনটোৰ অভ্যন্তৰত যে প্ৰভাৱ পেলাব সেইটো নিশ্চিত। ইফালে আজি পদত্যাগ কৰা এজন ছাত্ৰনেতাই কেন্দ্ৰীয় নেতৃত্বৰ 'য়েছ বছ' নীতি মানি চলিবলৈ বাধ্য নহয় বুলি সংবাদ মাধ্যমৰ সন্মুখত মুকলিকৈ প্ৰকাশ কৰা কাৰ্যই এতিয়া সকলোতে চৰ্চা লাভ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# টীম গৌৰৱ! ঋতুপৰ্ণ কোঁৱৰ, মেঘনাথ

লাভ কৰাৰ পিছতে সাংসদ গৌৰৱ গগৈয়ে নিজাকৈ টীম গঠনত গুৰুত্ব আৰোপ কৰা দেখা গৈছে। এই অনুযায়ী আজি গৌৰৱ গগৈয়ে এপিচিচিৰ সভাপতিৰ কাৰ্যালয়ত তিনিজন নতুন বিষয়ববীয়াক নিযুক্তি দিছে। এই তিনিজন হৈছে ক্ৰমে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ জ্যেষ্ঠ মুখপাত্ৰ ঋতুপৰ্ণ কোঁৱৰ, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক উদয় ভানু দাস আৰু মেঘনাথ ছেত্ৰী। তিনিওগৰাকীকে প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ কাৰ্যালয়ৰ সংলগ্ন বিষয়া হিচাপে নিযুক্তি প্ৰদান কৰা হৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক বিপুল গগৈ স্বাক্ষৰিত এক নিৰ্দেশত এই কথা প্ৰকাশ। উল্লেখ্য যে, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ নৱনিযুক্ত সভাপতি, লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি সাংসদ গৌৰৱ গগৈয়ে অহা ৩ জুনত সভাপতিৰ দায়িত্ব আনুষ্ঠানিকভাৱে গ্ৰহণ কৰিব। গৌৰৱ গগৈয়ে ৩১ মে'ত নতুন দিল্লীৰ পৰা পোনে পোনে যোৰহাটত উপস্থিত হ'ব। যোৰহাটত উপস্থিত হৈ স্থানীয় ৰাইজ, দল-সংগঠনৰ লগত বাৰ্তালাপ কৰাৰ লগতে কংগ্ৰেছ দলৰ কৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হ'ব। ১ জুনৰ দিনা নতুন সভাপতি গৌৰৱ গগৈ নাজিৰালৈ যাব আৰু তাতেই অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই অনুষ্ঠিত কৰা সভাত উপস্থিত হৈ দলৰ কৰ্মী আৰু স্থানীয় ৰাইজৰ লগত মত-বিনিময় কৰিব। শিৱসাগৰত নিশা যাপন কৰি নতুন সভাপতি গৌৰৱ গগৈয়ে যোৰহাট, গোলাঘাট হৈ গাড়ীৰে নগাঁৱলৈ আহিব। নগাঁৱতো দল-সংগঠন, ৰাইজৰ লগত মত-বিনিয়ম কৰি এখন জনসভাতো ভাগ ল'ব। ২ জুনত গৌৰৱ গগৈয়ে সদলবলে নগাঁৱৰ পৰা গুৱাহাটী অভিমুখে ৰাওনা হ'ব। ৩ জুনত নতুন সভাপতিগৰাকীয়ে মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত দলৰ নেতা-কৰ্মীসকলৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰিব। সেইদিনাই গগৈয়ে দলৰ নতুন সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰিব। আনুষ্ঠানিকভাৱে দায়িত্ব লাভ কৰাৰ পিছতে প্ৰদেশ কংগ্ৰেছৰ মূল কমিটি তথা উপ-কমিটিসমূহতো আৰু ব্যাপক সালসলনি ঘটাব পাৰে বুলি গৌৰৱ গগৈৰ ঘনিষ্ঠ সূত্ৰই জানিবলৈ দিছে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# আদালতৰ নিৰ্দেশত ৰাজপাট ঘূৰাই পালে খলা অধিপতি সুমংগল দেউৰজাই

**ই-সংবাদ, জাগীৰোড, ২৯ মে:** মহাৰাজৰ জয় হ'ল। ৰাজ্য আৰু ৰাজপাট ঘুৰাই পালে ৰজাই। ৰাজসিংহাসন লাভ কৰি হাঁহি বিৰিঙিল ৰজাৰ মুখত। আইনী যুঁজত জয়ী হ'ল গোভা ৰজাৰ কৰতলীয়া ৰজা সুমংগল দেউৰজা। হয়, প্ৰাচীন খলা ৰাজ্য অসমৰ অন্যান্য তিৱা ৰাজ্যৰ দৰে এখন ঐতিহ্যমণ্ডিত ৰাজ্য। অতীজৰেপৰা খলা ৰাজ্যৰ পৰম্পৰাগত সামাজিক সাংস্কৃতিক ব্যৱস্থাবোৰ খলা ৰজাৰ অধীনতে পৰিচালিত হৈ আহিছে। খলা ৰাজ্যৰ বৰ্তমানৰ ৰজা সুমংগল দেউৰজাই ৰাজ্যখনৰ তিৱা ৰাজ ব্যৱস্থাৰ লগতে পৰম্পৰাগত বিশ্বাস ৰীতি-নীতিসমূহ নিখুঁটভাৱে সম্পাদন কৰি আহিছে। খলা ৰাজ্যৰ পাহাৰ-ভৈয়ামৰ জনগনে সুমংগল দেউৰজাক সকলো ক্ষেত্ৰতে সহায়-সহযোগ কৰি আহিছে। তেনেক্ষেত্ৰত বিগত ২০১৭ বৰ্ষৰ ৫ জুলাইত 'খলা দেউৰজা ৰাজচ'ৰা পৰিচালনা কৰ্ণধাৰ সমিতি'ৰ সভাপতি আৰু সম্পাদকে খলা ৰাজ্যত প্ৰাচীন কালৰেপৰা চলি অহা পৰম্পৰাগত ৰাজ ব্যৱস্থা আৰু সামাজিক-সাংস্কৃতিক দিশক নসাৎ কৰি খলা ৰজা সুমংগল দেউৰজাৰ স্থানত অবৈধভাৱে তথাকথিত ৰাজ অভিষেক পাতি প্ৰবিন মছৰঙক নিযুক্তি দিয়ে। খলা ৰাজ্যৰ সৰ্বসাধাৰণ জনগণ এই অপৰম্পৰাগত কাৰ্যত হতভম্ব হয়। আনহাতে, খলা দেউৰজা ৰাজচ'ৰা পৰিচলনা কৰ্ণধাৰ সমিতিৰ ৰাজ অভিষেক পতাৰ কোনো ন্যায়সংগত পৰম্পৰাগত অধিকাৰ নাই। খলা ৰাজ্যৰ তিৱা ৰাজ ব্যৱস্থাৰ নিৰ্দিষ্ট



পৰম্পৰাগত সামাজিক-সাংস্কৃতিক আৰু পূজা-অৰ্চনাৰ দিশ জড়িত আছে। তেনে ব্যৱস্থাক অমান্য কৰি বিষয়টো আলোচনা কৰি বুজাবুজি কৰাৰ বিকল্প পথ থকা সত্বেও খলা দেউৰজা ৰাজচ'ৰা পৰিচলনা কৰ্ণধাৰ সমিতিৰ সভাপতি গণক বড়ো আৰু সম্পাদক সুভেন বৰদলৈয়ে ২০১৭ চনত খলা ৰজা সুমংগল দেউৰজা আৰু ঐতিহাসিক তিৱা ৰাজদৰবাৰক (অসম) ৬৮/২০১৭ নম্বৰত গোচৰ ৰুজু কৰে। সুদীৰ্ঘ সময় আদালতৰ মজিয়াত ন্যায় যুঁজ হোৱাৰ পিছত ২০২৫ চনত আদালতে দিলে পূৰ্বৰ ৰজা সুমংগল দেউৰজাক ৰজা হিচাপে স্বীকৃতি। আৰু এই ৰায়দানৰ পিছতে ওলট-পালট হৈ গ'ল সকলো। ইমানদিনে ৰজা হৈ থকা প্ৰবীন মচৰং হৈ পৰিল সাধাৰণ প্ৰজা। আৰু বংশানুক্ৰমে হোৱা ৰজা সুমংগল দেওৰজাই পুনৰ লাভ কৰিলে হেৰুওৱা ৰাজ্য আৰু ৰাজসিংহাসন।

এতিয়াৰেপৰা সুমংগল দেউৰজাই পৰম্পৰাৰগত ৰাজকীয় ব্যৱস্থাক সুৰক্ষা দিয়াৰ লগতে সম্পাদন কৰিব ঐতিহাসিক প্ৰাচীন খলা ৰাজ্যৰ ৰাজকাৰ্য। উল্লেখ্য যে মহামান্য আদালতৰ ৰায়দান পোৱাৰ পাছত ঐতিহাসিক তিৱা ৰাজ দৰবাৰ অসমৰ উদ্যোগত খলা ৰাজ্যত চহৰী ৰজা চুৰেণ কোঁৱৰৰ সভাপতিত্ব এক ৰাজদৰবাৰ অনুষ্ঠিত হয়। এই ৰাজদৰবাৰতে ঐতিহাসিক ৰায়দানৰ বাবে সুমংগল দেউৰজা আৰু খলা ৰাজ্যৰ সৰ্বসাধাৰণ ৰাইজ আৰু ঐতিহাসিক তিৱা ৰাজদৰবাৰে (অসম) মহামান্য আদালতক ধন্যবাদ জনায়। মহামান্য আদালতে সঠিক ৰায়দান কৰা বুলি পাহাৰ-ভৈয়ামৰ জনগণে মত পোষণ কৰে। সকলো ভেদাভেদ পাহৰি গোচৰীয়াকো মহামান্য আদালতৰ ৰায়ৰ প্ৰতি সঁহাৰি জনাবলৈ আহ্বান জনায়। জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষেসমূহ জনগণক সুমংগল দেউৰজাৰ লগত সহযোগ কৰিবলৈ আহ্বান জনোৱাৰ লগতে শান্তি-সম্প্ৰীতি অটুট ৰাখিবলৈ অনুৰোধ জনায়। ৰাজ দৰবাৰত সাতোৰজা, পাঁচোৰজা, ঐতিহাসিক তিৱা ৰাজ দৰবাৰ অসমৰ সভাপতি জুৰসিং বৰদলৈ, অসম সৌৰভ নাদিৰাম দেউৰী, ঐতিহাসিক তিৱা ৰাজ দৰবাৰ অসমৰ কাৰ্যকৰী সভাপতি বাবুল ভৰালী, সাধাৰণ সম্পাদক প্ৰশান্ত কোঁৱৰৰ লগতে ৰাজ পাৰিষদবৰ্গ উপস্থিত থাকে।

# কলগাছিয়াৰ দুৰ্ধৰ্ষ ডকাইত শ্বাৰিফুল ইছলাম আৰক্ষীৰ জালত

## বালাৰপাথাৰ গাঁৱত ডকাইতি কৰি লুটিছিল ১২ লক্ষাধিক টকা

**ই-সংবাদ, কলগাছিয়া, ২৯ মে':** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বালাৰপাথাৰ গাঁৱত ডকাইতি কাণ্ড সংঘটিত কৰি পলাতক হৈ থকা দুৰ্ধৰ্ষ ডকাইতৰ দলটোৰ এজনক কলগাছিয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত ডকাইতজন আদিতপুৰ গাঁৱৰ আব্দুল হামিদৰ পুত্ৰ শ্বাৰিফুল ইছলাম বুলি জানিব পৰা গৈছে। দলটোত থকা আন কেইবাজনো ডকাইত পলাতক হৈ আছে যদিও আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে চলিত মাহৰ ১৮ তাৰিখে নিশাৰ ভাগত বালাৰপাথাৰ গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল কৰিমৰ ঘৰত গ্ৰীল ভাঙি ডকাইতি কাণ্ড সংঘটিত কৰিছিল দলটোৱে। লগতে আব্দুল কৰিম আৰু তেওঁৰ পত্নীক ডাকাইতৰ দলটোৱে লাঠীৰে কোবাই মূৰ ফালি ৰক্তাক্ত কৰিছিল। গুৰুতৰভাৱে আহত হোৱা দম্পতীক হাত-ভৰি বান্ধি ঘৰৰ আচবাব পত্ৰ ভাঙি লণ্ড-ভণ্ড কৰি প্ৰায় ১২ লক্ষাধিক টকা আৰু সামগ্ৰী লুট কৰি নিছিল। আব্দুল কৰিমৰ পুত্ৰই বিদেশৰপৰা পঠোৱা ৮ লাখ নগদ টকা আৰু প্ৰায় ৪ লাখ টকা মূল্যৰ সোণৰ আ-অলংকাৰ লৈ যায় ডকাইতে। ঘটনা সন্দৰ্ভত পৰিয়ালটোৱে কলগাছিয়া আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত তদন্ত চলাই কলগাছিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দিব্য কমল দত্তৰ নেতৃত্বত গ্ৰেপ্তাৰ কৰে দুৰ্ধৰ্ষ ডকাইতটোক। ধৃত ডকাইত শ্বাৰিফুল ইছলামৰ সৈতে AS 15 AA 8689 নম্বৰৰ এখন চাৰিচকীয়া বাহন জব্দ কৰে আৰক্ষীয়ে। ধৃত ডকাইত শ্বাৰিফুল ইছলামে ইয়াৰ পূৰ্বে কেইবাটাও ডকাইতি কাণ্ড সংঘটিত কৰি জে'ল খাটিছিল বুলি স্থানীয় ৰাইজে জানিবলৈ দিছে। সম্প্ৰতি ডকাইত শ্বাৰিফুল ইছলামক গ্ৰেপ্তাৰ কৰা বাবে কলগাছিয়া আৰক্ষীক ধন্যবাদ জনাইছে ৰাইজে। লগতে বৰ্তমানেও পলাই থকা আন ডকাইত কেইজনক বিচাৰি ওলিয়াই গ্ৰেপ্তাৰ কৰাৰ লগতে কঠোৰ শাস্তি প্ৰদানৰ দাবী জনাইছে ৰাইজে।

# অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক কৰ্ণ ছেত্ৰীৰ দেহাৱসান

**ই-সংবাদ, চতিয়া, ২৯ মে':** বিশ্বনাথ জিলাৰ দক্ষিণ চতিয়াৰ সিপৰীয়া হাইস্কুলৰ অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক, তেৱাৰীপাল নিবাসী কৰ্ণ ছেত্ৰী (৭৫)ৰ বাৰ্ধক্যজনিত ৰোগত মঙলবাৰে নিশা নিজা বাসভৱনত মৃত্যু ঘটে। স্বভাৱত অতি বিনয়ী, শান্ত প্ৰকৃতিৰ কৰ্ণ ছেত্ৰী শিক্ষাৰ্থীৰ মাজত অতি জনপ্ৰিয় আছিল। অৱসৰ গ্ৰহণৰ পিছতে বিভিন্ন সামাজিক আৰু ধৰ্মীয় কাম-কাজত নিজকে জড়িত কৰা ছেত্ৰী ছাত্ৰ অৱস্থাত ছাত্ৰ সংগঠনৰ লগতো সক্ৰিয়ভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ বিশ্বনাথ জিলা সমিতিৰ সভাপতি-সম্পাদককে ধৰি অন্য বিষয়ববীয়া, সিপৰীয়া হাইস্কুলৰ শিক্ষক গোট, তেৱাৰীপাল গাঁও সংগঠন, আমছুৰ বিশ্বনাথ জিলা সমিতি, সংখ্যালঘু সংগ্ৰাম পৰিষদৰ বিশ্বনাথ জিলা সমিতিৰ বিষয়ববীয়াকে ধৰি বহু ব্যক্তি আৰু প্ৰতিষ্ঠানে শোকপ্ৰকাশ কৰিছে। তেওঁ সংসাৰত পত্নী সমন্বিতে পুত্ৰ-বোৱাৰী, জী-জোঁৱাই আৰু নাতি-নাতিনীক এৰি গৈছে।

# মোৰাঝাৰত তামিলনাডু আৰক্ষীৰ ক্ৰাইম ব্ৰাঞ্চৰ অভিযান, ধৃত এজন

**ই-সংবাদ, মোৰাঝাৰ ২৯ মে':** চাইবাৰ ক্ৰাইমে চানি ধৰিছে সমগ্ৰ ৰাজ্য। এইবাৰ হোজাইৰ বিভিন্ন প্ৰান্তত হেকাৰৰ বিৰুদ্ধে আৰক্ষীয়ে চলাইছে অভিযান। তামিলনাডু আৰক্ষীৰ ক্ৰাইম ব্ৰাঞ্চে বুধবাৰে চলায় এক বিশেষ অভিযান। এই অভিযানত মোৰাঝাৰৰ হাতীবান্দাৰপৰা নিহাৰ ৰঞ্জন নাথ নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। দেশৰ ৫ ৰাজ্যত তামিলনাডু ক্ৰাইম ব্ৰাঞ্চে অভিযান চলোৱা বুলি আৰক্ষীয়ে জনায়। আনহাতে, গুৱাহাটীৰপৰা নিহাৰ ৰঞ্জনৰ জোঁৱায়েকক আটক কৰে বুলি জানিব পৰা গৈছে। এই হেকাৰ চক্ৰই বিভিন্ন একাউন্টৰ পৰা দীৰ্ঘদিনে লুটিছিল ধন। যমুনামুখৰ ৰামিম আহমেদ নামৰ এজন চক্ৰটোৰ মূল নায়ক বুলি জনা গৈছে। দেশৰ বিভিন্ন লোকৰপৰা চক্ৰটোৱে লুটে ধন। ইয়াকে লৈ হোজাইৰ মোৰাঝাৰত চাঞ্চল্যৰ সৃষ্টি হৈছে। উল্লেখ্য যে অঞ্চলটোত এনে ঘটনা প্ৰায়ে সংঘটিত হৈ আহিছে।

# বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ আৰু অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ বুজাবুজি চুক্তি সম্পন্ন

**ই-সংবাদ, ডিব্ৰুগড়, ২৯ মে':** অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ মাজত এখন বুজাবুজি চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি অনুসৰি দুয়োটা অনুষ্ঠানে একেলগে বুৰঞ্জীমূলক গৱেষণা আৰু অন্যান্য শিক্ষামূলক লগতে ক্ৰীড়াৰ বুৰঞ্জী বিষয়ক কাম-কাজ কৰাৰ উপৰিও শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ দ্বাৰা প্ৰৱৰ্তিত মায়ামৰা বৈষ্ণৱ ধৰ্মৰ কাল সংহতিৰ অন্তৰ্গত সত্ৰসমূহৰ উন্নতি আৰু তেওঁলোকৰ সত্ৰসমূহত সংৰক্ষিত প্ৰাচীন গ্ৰন্থৰাজি সংৰক্ষণ আৰু পৰিৱৰ্দ্ধনৰ কাৰণেও কাম কৰাৰ বাবেও সন্মত হয়। প্ৰাচীন অসমৰ ক্ৰীড়া আৰু যোগৰ উৎস আৰু বিকাশৰ বিষয়েও দুইটা পক্ষয়ে সন্মিলিতভাৱে কাম কৰিব। এই অনুষ্ঠানত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰাধ্যাপক জয়প্ৰকাশ বাৰ্মা, পৰীক্ষা নিয়ন্ত্ৰক অৰিঞ্জিত হাজৰিকাকে আদি কৰি বিষয়া-কৰ্মচাৰীবৃন্দ আৰু অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ হৈ সঞ্চালক ড০ সংগীতা গগৈ, গৱেষণা বিষয়া নম্ৰতা কাকতি উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁতধৰে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰে।

# ঢেকীয়াজুলিত ভয়ংকৰ পথ দুৰ্ঘটনাত থিতাতে নিহত কলেজীয়া ছাত্ৰ

**ই-সংবাদ, ঢেকীয়াজুলি, ২৯ মে':** ঢেকীয়াজুলি ৰাজহচক্ৰৰ অন্তৰ্গত মুণ্ডালাইন আদৰ্শ বিদ্যালয়ৰ সমীপত অসম মালাৰ পথত বুধবাৰে এক ভয়ংকৰ পথ দুৰ্ঘটনা হয়। উক্ত পথ দুৰ্ঘটনাত থিতাতে নিহত হয় এজন কলেজীয়া ছাত্ৰ। মটৰ চাইকেলৰ চালক তথা অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ ছাত্ৰ ইৰফান আলীৰ (২০) সৈতে এখন চাৰিচকীয়া বাহনৰ মুখামুখী সংঘৰ্ষ হয়। ফলত ইৰফান আলীৰ থিতাতে মৃত্যু হোৱাৰ লগতে আন এজন সহপাঠী জয়শংকৰ বৰাইক গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে, ছাত্ৰ দুগৰাকীয়ে পৰীক্ষা দি কলেজৰপৰা ঘৰলৈ বুলি মটৰ চাইকেলেৰে ৰাওনা হৈছিল। তেনেতে আধাবাটতে সংঘটিত হ'ল এই ভয়ংকৰ পথ দুৰ্ঘটনা। দুৰ্ঘটনাৰ খবৰ পাই ঢেকীয়াজুলি থানা যান-বাহন শাখাৰ বিষয়া চণ্ডিৰাম নাথৰ নেতৃত্বত এটা আৰক্ষীৰ দল তাৎক্ষণিকভাৱে ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে ইৰফান আলীৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে জয়ৰাম



বাৰাইক সংকটজনক অৱস্থাত উদ্ধাৰ কৰি চিকিৎসাৰ বাবে তেজপুৰ মেডিকেল কলেজলৈ প্ৰেৰণ কৰিছে। সমান্তৰালকৈ চাৰিচকীয়া বাহনত থকা লোকসকলকো উদ্ধাৰ কৰি চিকিৎসাৰ ব্যৱস্থা কৰিছে আৰক্ষীয়ে।

# পুৰণিগুদামৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত বিকল ষ্ট্ৰীট লাইট

**ই-সংবাদ, পুৰণিগুদাম, ২৯ মে':** নগাঁও জিলাৰ পুৰণিগুদামেৰে পাৰ হৈ যোৱা চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ মাজৰ ডিভাইদাৰত থকা ষ্ট্ৰীট লাইট এটা এটাকৈ বিকল হৈ পৰা দেখা গৈছে। স্থানীয় লোকে অভিযোগ কৰা অনুসৰি, কিছুদিন ধৰি লাইট সমূহ জ্বলি থাকি ৰাষ্ট্ৰীয় ঘাইপথটোত এক সুন্দৰ পৰিৱেশ সৃষ্টি হৈছিল যদিও ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ চূড়ান্ত গাফিলতিৰ বাবে পুৰণিগুদাম গড়মূৰৰ পৰা কেঞ্জাপট্টিলৈকে এটা এটাকৈ বিকল হৈ পৰিছে লাইটসমূহ। বিশেষকৈ বহিৰাগত নিৰ্মাণ কোম্পানীয়ে পথটো নিৰ্মাণ কৰি লাইটসমূহ আঁৰি দিয়ে যদিও কেইদিনমান জ্বলি থাকি লাইটসমূহ নজ্বলা হোৱাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বৰ্তমান সময়ত দুই-এটা লাইট কোনোবা স্থানত জ্বলি থাকিলেও চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ নিশাৰ সৌন্দৰ্য্যৰপৰা বঞ্চিত হৈছে পথচাৰীৰ লগতে স্থানীয় ৰাইজ। ইফালে, পথটো নিৰ্মাণ কাৰ্য্য চলি থকাৰ সময়ত নিৰ্মাণ কোম্পানীয়ে বহু গাফিলতি আৰু অনুন্নত মানদণ্ডৰে কাম কৰি আঁতৰি যায় আৰু পথটোৰ মানদণ্ড নিম্নগামী হোৱা পৰিলক্ষিত হৈছে। নিৰ্মাণ কাৰ্য্য চলি থকা সময়ত সংবাদ মাধ্যমত কোম্পানীৰ গাফিলতিৰ সম্পৰ্কে বাতৰি পৰিৱেশন হোৱাৰ পিছতো কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা দেখা নগ'ল। বৃহৎ বৃহৎ বহিৰাগত কোম্পানীয়ে স্থানীয় লোকৰ মতামতক আওকাণ কৰি কাম কৰি যোৱাৰ পিছত এতিয়া নিশা সুন্দৰ পৰিৱেশৰ বাবে থকা লাইটসমূহ জ্বলি নথকাত বহিৰাগত কোম্পানীৰ গা এৰা দিয়া স্বভাৱ ওলাই পৰে। বৰ্তমান সময়ত লাইটসমূহ জ্বলোৱাৰ ব্যৱস্থা কৰিবলৈ স্থানীয় লোকে নগাঁও জিলা আয়ুক্তক দাবী জনাইছে।

# ডিব্ৰুগড় জিলাৰ ব্যৱসায়ীলৈ জিলা প্ৰশাসনৰ জৰুৰী নিৰ্দেশনা

**ই-সংবাদ, ডিব্ৰুগড়, ২৯ মে':** সম্ভাব্য আগন্তুক বানপানীৰ প্ৰতি লক্ষ্য ৰাখি অত্যাৱশ্যকীয় সামগ্ৰীৰ সকলো ব্যৱসায়ীক জিলা প্ৰশাসনে কেতবোৰ নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ নিৰ্দেশ দিছে। সেই অনুসৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ ব্যৱসায়ীসকলে নিজ ব্যৱসায়িক প্ৰতিষ্ঠানত সকলো সময়তে অত্যাৱশ্যকীয় সামগ্ৰী পৰ্যাপ্ত পৰিমাণে মজুত ৰাখিব লাগিব। গ্ৰাহকে সহজতে দেখাপোৱাকৈ ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখত সামগ্ৰীৰ ষ্টক আৰু মূল্যৰ স্পষ্ট তথ্য সম্বলিত এখন ব'ৰ্ড ৰাখিব লাগিব। তদুপৰি প্ৰতিদিনে পুৱা ১০ বজাৰ ভিতৰত দৈনিক ৰিটাৰ্ণ জমা দিব লাগিব। আনহাতে, অত্যাৱশ্যকীয় সামগ্ৰীৰ ব্যৱসায় কৰা সকলো পাইকাৰী বিক্ৰেতাই খুচুৰা বিক্ৰেতাক কেচ মেম' দিব লাগিব যাতে ইয়াৰদ্বাৰা কোনো কাৰণতে গ্ৰাহকৰপৰা সমগ্ৰীৰ বাবদ কোনোধৰণৰ অত্যধিক মূল্য লোৱা নহয়।

# চৰাইদেউৰ দলবদ্ধ ধৰ্ষণ-কাণ্ডৰ তিনি অভিযুক্তক গ্ৰেপ্তাৰ

**ই-সংবাদ, মথুৰাপুৰ, ২৯ মে':** চৰাইদেউ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি ইতিমধ্যে তদন্ত অব্যাহত ৰাখিছে সোণাৰিত। অভিযোগ অনুসৰি মথুৰাপুৰ আৰক্ষী থানাৰ অন্তৰ্গত দ'লবাগানত বিগত বৰ্ষৰ ৬ নৱেম্বৰত এগৰাকী নাবালিকাক দলবদ্ধ ধৰ্ষণ কৰিছিল চাৰি পাষণ্ডই। ঘটনা সন্দৰ্ভত মুখ খুলিলে নাবালিকাৰ ভয়াবহ পৰিণতি হোৱাৰ উপৰিও ভিডিঅ' সামাজিক মাধ্যমত প্ৰচাৰ কৰি দিয়া হ'ব বুলি ভাবুকি দিয়াত ভুক্তভুগী নাবালিকাই মনে মনে আছিল যদিও পৰৱৰ্তীকালত ভিডিঅ'টো ফাদিল হৈ যোৱাত নাবালিকাৰ পৰিয়ালে ২৭ মে' তাৰিখে মথুৰাপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এই এজাহাৰৰ ভিত্তিত মথুৰাপুৰ আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতাৰ অধীনত ৭০(২)/৩৫১(২)/৩(৫) ধাৰাসহ ১৬/২০২৫ নম্বৰত পক্স' গোচৰ ৰুজু কৰে। এই গোচৰৰ ভিত্তিত আৰক্ষীয়ে অনুসন্ধান চলায় ইতিমধ্যে তিনিজনক গ্ৰেপ্তাৰ কৰা লগতে আনজন অভিযুক্তক গ্ৰেপ্তাৰৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

# নাজিৰাত উদ্যমিতা আঁচনিৰ পৰা বঞ্চিত আত্মসহায়ক গোটৰ ক্ষোভ

**ই-সংবাদ, নাজিৰা, ২৯ মে':** উদ্যমিতা আঁচনিৰ পৰা বঞ্চিত মহিলাসকলে নাজিৰা উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ সন্মুখত উজাৰিলে ক্ষোভ। নাৰী সবলীকৰণৰ উদ্দেশ্যে অসম চৰকাৰে ৰূপায়ণ কৰা উদ্যমিতা আঁচনিত বহু আত্মসহায়ক গোটৰ মহিলাৰ নাম কৰ্তন হোৱাক লৈ ক্ষোভিত হৈ পৰিছে বহু মহিলা। এই আঁচনি ৰাজনীতিকৰণ কৰাৰ অভিযোগ উত্থাপন কৰিছে মহিলা সকলে। এই আঁচনিৰ পৰা বঞ্চিত হোৱা মহিলা সকলে ন্যায় বিচাৰি নাজিৰা উন্নয়ন খণ্ডলৈ আহি কোনো ধৰণৰ সহাৰি নোপোৱাত ক্ষোভিত হৈ পৰিল কেইবাটাও মহিলা গোটৰ সদস্যসকল। মহিলাসকলে অভিযোগ কৰা অনুসৰি এই উদ্যমিতা আঁচনি দুখীয়াৰ বাবে নহয় ধনীৰ বাবেহে ৰূপায়ণ কৰা হৈছে। বহু পুৰণা গোটৰ মহিলা সকলক এই আঁচনিৰ পৰা বঞ্চিত কৰি ধনী শ্ৰেণীৰ মহিলাসকলকহে এই আঁচনিত অন্তৰ্ভুক্ত কৰিছে। ৰাজনীতিৰ মেৰপাকত সোমোৱাৰ ফলত এই উদ্যমিতা আঁচনিত ব্যাপক বিসংগতি হোৱাৰো অভিযোগ উত্থাপন হৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে দীৰ্ঘসময়ৰেপৰা গ্ৰামাঞ্চলৰ মহিলাসকলক লাখপতি বাইদেউ বনোৱাৰ যি মন্তব্য আগবঢ়াই আহিছিল অৱশেষত সেয়া বুমেৰাং হোৱাহে পৰিলক্ষিত হৈছে।

# গেলেকী ন-পুখুৰী সাহিত্য সভাৰ পঠন আৰু লিখনৰ কৰ্মশালা

**ই-সংবাদ, গেলেকী, ২৯ মে':** ন-পুখুৰী শাখা সাহিত্য সভাৰ উদ্যোগত অলপতে মৰাণবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত পঠন আৰু লিখনৰ ওপৰত এক কৰ্মশালাৰ আয়োজন কৰা হয়। কৰ্মশালাৰ উদ্বোধন কৰে নামদাং সমল কেন্দ্ৰৰ সমন্বয়ক জ্যোতি ফুকনে। তেখেতে ভাষা শিকণৰ ক্ষেত্ৰত পঠন আৰু লিখনৰ আৱশ্যকতাৰ বিষয়ে বিশদভাৱে বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ শুভাৰম্ভণিত পঠনৰ কৰ্মশালাৰ যুৰীয়া শব্দ, চন্দ্ৰ বিন্দু, ৰেফৰ ব্যৱহাৰ, ণত্ব বিধি ওপৰত ছাত্ৰ ছাত্ৰীৰ আগত আলোকপাত কৰে ন-পুখুৰী শাখা সাহিত্য সভাৰ সভাপতি দিলিপ মহন্তই। ইয়াৰ পিছতে শব্দৰ জড়তা ভঙাৰ সৰৱ পঠনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ক্ৰিয়াকলাপ কৰায় ন-পুখুৰী শাখা সাহিত্য সভাৰ সম্পাদক দিপালী দুৱাৰাই। কাৰ্যসূচী ছাত্ৰ-ছাত্ৰীৰ মাজত যুৰীয়া শব্দ ব্যৱহাৰ কৰি শব্দ গঠনৰ বাবে এক প্ৰতিযোগিতাৰ অনুষ্ঠিত কৰি মূল্যায়ন কৰা হয়। প্ৰধান শিক্ষক নয়নজ্যোতি বৰঠাকুৰে আঁতধৰা অনুষ্ঠান উপস্থিত থকা বিদ্যালয়খনৰ সহঃ শিক্ষয়িত্ৰী মফিদা বেগম, আজীৱন সভ্য চন্দ্ৰ গগৈৰ সহযোগিতাত ছাত্ৰ-ছাত্ৰীৰ মাজত বানানৰ লগতে পঠনৰ প্ৰতিযোগিতা অনুষ্ঠিত হয় আৰু শব্দ গঠনৰ সৰ্ব্বোচ্চ নম্বৰ লাভ ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। পঠন আৰু লিখনৰ ক্ষেত্ৰত থকা আসোঁৱাহসমূহ দূৰ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে মত পোষণ কৰিছে। শেষত অসম সংগীতেৰে অনুষ্ঠানটিৰ সামৰণি পৰে।

# ছমৰীয়াত ৰংমন সাংস্কৃতিক সন্ধিয়াৰ অস্থায়ী কাৰ্যালয় উদ্বোধন

**ই-সংবাদ, বকো, ২৯ মে':** কামৰূপ জিলাৰ বকো সমষ্টিৰ ঐতিহ্যমণ্ডিত ছমৰীয়া সত্ৰৰ কেইজনমান উদ্যমী যুৱকৰ প্ৰচেষ্ঠাত ২০০২ চনৰ জেঠ মাহৰ ২৫ তাৰিখে জন্ম লৈছিল সামাজিক, সাংস্কৃতিক তথা ক্ৰীড়া সংগঠন ৰংমন সাংস্কৃতিক গোষ্ঠীয়ে। ৰংমনে এইবাৰ ২৪ সংখ্যক বৰ্ষত ভৰি দিলেহি। গোষ্ঠীটোৱে কেৱল সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰাই নহয়, বিভিন্ন সময়ত সমাজৰ হিতৰ বাবে বহু কাম কৰি আহিছে। একেদৰে আনবাৰৰ দৰে এইবাৰো ৰংমন সাংস্কৃতিক গোষ্ঠীয়ে সাংস্কৃতিক সন্ধিয়াখনি অহা ৯ জুনত অনুষ্ঠিত কৰিবলৈ এখন কমিটি গঠন কৰিছে। এই অনুষ্ঠানৰ বাবে ছমৰীয়া সত্ৰৰ কিশোৰ কলিতাক সভাপতি আৰু দ্বীপজ্যোতি দাসক সাধাৰণ সম্পাদক হিচাপে লৈ এখন পূৰ্ণাংগ কমিটি গঠন কৰা হৈছে। চলিত বৰ্ষৰ সাংস্কৃতিক সন্ধিয়াখনি পৰিচালনা কৰাৰ বাবে মঙলবাৰে ছমৰীয়া বাছ আস্থানত এটি অস্থায়ী কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ৰংমন সাংস্কৃতিক গোষ্ঠীৰ স্থায়ী কমিটিৰ সম্পাদক গনেশ দাসে। ভাষণ প্ৰসংগত উদ্বোধক গনেশ দাসে অনুষ্ঠানটো সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে আগন্তুক সাংস্কৃতিক সন্ধিয়াখনি শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত ৰংমন সাংস্কৃতিক সন্ধিয়াৰ হৈ উপস্থিত বিশিষ্ট ব্যক্তিসকলৰ লগতে উদযাপন সমিতিৰ সভাপতিক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত উদযাপন সমতিৰ বিষয়ববীয়াসকলৰ লগতে সমূহ সদস্যবৃন্দ উপস্থিত থাকে।

# নগাঁৱৰ বিশিষ্ট ক্ৰীড়া সংগঠক, সমাজসেৱক গৌৰিশংকৰ ৰয়ৰ মৃত্যু

**ই-সংবাদ, বেবেজীয়া, ২৯ মে':** নগাঁও চহৰৰ ৰামকৃষ্ণ পথৰ নিবাসী বিশিষ্ট ক্ৰীড়া সংগঠক, সমাজ সেৱক, সৰ্ববৰহী ব্যক্তি গৌৰি শংকৰ ৰয়ৰ মঙলবাৰে নিশা বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ। নগাঁও বেংগলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা শাৰিৰীক নিৰ্দেশক হিচাপে অৱসৰগ্ৰহণ কৰা ৰয় নগাঁও ক্ৰীড়া সন্থাৰ কাবাদী আৰু এথলেটিক্স শাখাৰ সম্পাদক আছিল। নিজৰ কৰ্মৰাজিৰ দ্বাৰা ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰখনৰ এক পৰিচিত ব্যক্তি হিচাপে নিজক প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হোৱা ৰয়ে মৃত্যুপৰ্যন্ত নগাঁৱৰ বাঙালী সন্মিলনীৰ উপ-সভাপতিৰ দৰে গুৰু দায়িত্বত কাৰ্যনিবাহ কৰি আছিল। বহুসংখ্যক প্ৰতিভাৱান খেলুৱৈক ক্ৰীড়াক্ষেত্ৰখনলৈ উলিয়াই অনাত বিশেষ অৱিহনা আগবঢ়াই অহা ৰয়ে অসমৰ দৌৰৰাণী 'ধিং এক্সপ্ৰেছ' খ্যাত হীমা দাসক সমাজৰ মাজত পৰিচয় কৰাই দিয়াৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়াই গৈছে। বহু গুণধাৰী সৎ আৰু অমায়িক স্বভাৱৰ ৰয়ৰ মৃত্যুত সমগ্ৰ নগাঁও জিলাতে গভীৰ শোকৰ ছাঁ পৰাৰ বিপৰীতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে। ইফালে, বুধবাৰে তেওঁৰ মৃতদেহ গুৱাহাটীৰপৰা নগাঁৱৰ বাসগৃহলৈ অনাৰ পিছতেই অগণন গুনমুগ্ধ আৰু বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি তেওঁৰ বাসগৃহত সমৱেত হৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। এক শোকাকুল পৰিবেশৰ মাজত তেওঁৰ অন্তেষ্টিক্ৰিয়া আমোলাপট্টি শ্মশানত সম্পন্ন হয়।

# চলিত বৰ্ষত আমেৰিকাৰপৰা বিতাড়িত ১০৮০ জন ভাৰতীয় নাগৰিক

**নতুন দিল্লী, ২৯ মে':** বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে বৃহস্পতিবাৰে অৱগত কৰে যে প্ৰব্ৰজন বিষয়ত বিশেষকৈ অবৈধ স্থিতিত থকা ভাৰতীয় নাগৰিকক বিতাড়নৰ ক্ষেত্ৰত আমেৰিকাৰ সৈতে ভাৰতৰ ঘনিষ্ঠ সহযোগিতা আছে। লগতে কোৱা হৈছে যে, ২০২৫ চনৰ জানুৱাৰী মাহৰ পৰা প্ৰায় ১০৮০ জন ভাৰতীয়ক আমেৰিকাৰ পৰা বিতাড়িত কৰা হৈছে, য'ত প্ৰায় ৬২ শতাংশই বাণিজ্যিক বিমানেৰে উভতি আহিছে। বৃহস্পতিবাৰে এক ভাষণ প্ৰসংগত এমইএৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয়, "২০২৫ চনৰ জানুৱাৰী মাহৰ পৰা আমাৰ প্ৰায় ১০৮০ জন ভাৰতীয় ঘূৰি আহিছে বা আমেৰিকাৰ পৰা বিতাড়িত কৰা হৈছে। ইয়াৰে প্ৰায় ৬২ শতাংশই বাণিজ্যিক বিমানত আহিছে। জয়ছোৱালে লগতে উল্লেখ কৰে যে ভাৰতে ষ্টুডেন্ট এণ্ড এক্সচেঞ্জ ভিজিটৰ ভিছা আবেদনকাৰীৰ সন্দৰ্ভত আমেৰিকা চৰকাৰৰ আপডেট গাইডেন্সৰ পৰামৰ্শ দিয়া প্ৰতিবেদন চালি-জাৰি চাইছে। এমইএয়ে আলোকপাত কৰে যে বিদেশত থকা ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ কল্যাণ ভাৰত চৰকাৰৰ বাবে "সৰ্বোচ্চ অগ্ৰাধিকাৰ" হৈয়ে আছে আৰু ভাৰতে এই ক্ষেত্ৰত অধিক উন্নয়ন অনুসৰণ কৰি "অব্যাহত" থাকিব। জয়ছৱালে লগতে কয় যে আমি লক্ষ্য কৰিছো যে ভিছা প্ৰদান কৰাটো এটা সাৰ্বভৌম কাম, আমি আশা কৰিছোঁ যে ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ আবেদনক মেৰিট বুলি গণ্য কৰা হ'ব, আৰু তেওঁলোকে সময়মতে নিজৰ শৈক্ষিক কাৰ্যসূচীত যোগদান কৰিব পাৰিব। বুধবাৰে আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ'ই আমেৰিকাৰ দূতাবাস আৰু কনছুলাৰ কাৰ্যালয়সমূহক ছাত্ৰ আবেদনকাৰীৰ বাবে নতুন ভিছাৰ সাক্ষাৎকাৰৰ সময় নিৰ্ধাৰণ কৰা বন্ধ কৰিবলৈ নিৰ্দেশ দিয়ে, কাৰণ ড'নাল্ড ট্ৰাম্প প্ৰশাসনে আবেদনকাৰীৰ ছ'চিয়েল মিডিয়া প্ৰফাইলৰ কঠোৰ পৰীক্ষাৰ কথা বিবেচনা কৰিছে। এই নিৰ্দেশনাই আমেৰিকাৰ বিদ্যালয় আৰু কলেজত বিদেশী ছাত্ৰ-ছাত্ৰীৰ প্ৰৱেশ নিষিদ্ধ কৰিবলৈ বৰ্তমানৰ ভেটিং পদ্ধতিৰ প্ৰয়োগ বিসতৃত কৰিব।



হিমস্খলনত জাহ যোৱা ছুইজাৰলেণ্ডৰ ব্লেটেন নামৰ এখন পাহাৰীয়া গাঁও, ফটো, বৃহস্পতিবাৰৰ

# ভাৰতৰ ব্ৰহ্মছ আক্ৰমণে পাকিস্তানৰ পৰিকল্পিত আক্ৰমণ বিফল কৰিলেঃ পাক পিএম শ্বেহবাজ

**নতুন দিল্লী, ২৯ মে':** পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফে নিশ্চিত কৰিছে যে ৯-১০ মে'ৰ নিশা ভাৰতৰ ব্ৰহ্মছ ক্ষেপণাস্ত্ৰ আক্ৰমণে “পৰিকল্পিত পাকিস্তানী সামৰিক আক্ৰমণ”ক বিফল কৰিছিল। আজাৰবাইজানৰ লাচিনত অনুষ্ঠিত হোৱা পাকিস্তান-তুৰস্ক-আজাৰবাইজান ত্ৰিপাক্ষিক সন্মিলনত ভাষণ দি শ্বৰীফে স্বীকাৰ কৰে যে ভাৰতৰ এই কাৰ্য্যই ১০ মে'ৰ পুৱাৰ ভাগত অনুষ্ঠিত হ'বলগীয়া “সমন্বিত পাকিস্তানী সঁহাৰি”ৰ পূৰ্বেই বাধা দিছিল। শ্বৰীফৰ মতে, ফিল্ড মাৰ্শ্বেল অছিম মুনিৰৰ নেতৃত্বত পাকিস্তান সেনাই পুৱা ৪.৩০ বজাত, নামাজৰ পাছত আক্ৰমণ চলোৱাৰ পৰিকল্পনা কৰিছিল। কিন্তু অভিযান আৰম্ভ হোৱাৰ পূৰ্বে ভাৰতে ৰাৱালপিণ্ডিত থকা নুৰ খান বিমান ঘাটিকে ধৰি একাধিক পাকিস্তানী সামৰিক ইনষ্টলেশ্যনক লক্ষ্য কৰি নিখুঁত মিছাইল আক্ৰমণ চলায়। জম্মু-কাশ্মীৰত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিশোধ হিচাপে অপাৰেচন সেন্দুৰ নামেৰে ভাৰতে আক্ৰমণ চলাইছিল। ২২ এপ্ৰিলত পেহেলগামত পৰ্যটকৰ ওপৰত সন্ত্ৰাসবাদীয়ে নিৰ্বিচাৰ গুলীচালনা কৰাত ২৬ জন লোকৰ মৃত্যু হৈছিল। এই অভিযানৰ অংশ হিচাপে ভাৰতে সমগ্ৰ পাকিস্তান আৰু পাকিস্তানে দখল কৰা কাশ্মীৰৰ ৯টা সন্ত্ৰাসবাদী আন্তঃগাঁথনিত আক্ৰমণ চলাইছিল।

# কৰ্ণাটকত ক'ভিডত আক্ৰান্ত ৰোগীৰ মৃত্যু

**বেংগালুৰু, ২৯ মে':** কৰ্ণাটকত কোভিড-১৯ পজিটিভ পোৱা এজন বৃদ্ধ লোকৰ বেলাগাৱী জিলাৰ এখন চিকিৎসালয়ত মৃত্যু হয়। ৭০ বছৰীয়া আন কেইবাটাও ৰোগত আক্ৰান্ত হৈ আছিল। ১৭ মে'ত বেংগালুৰুৰ হোৱাইটফিল্ডৰ এখন ব্যক্তিগত চিকিৎসালয়ত গুৰুতৰ কোম'ৰবিডিটি থকা ৮৪ বছৰীয়া এজন ব্যক্তিৰ মৃত্যু হৈছিল আৰু তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ কোভিড-১৯ পৰীক্ষাৰ ফলাফল পজিটিভ পোৱা গৈছিল।

# পুঞ্চবাসীৰ বাবে সাহায্য দাবী, মোদীলৈ পত্ৰ ৰাহুল গান্ধীৰ

**শ্ৰীনগৰ, ২৯ মে':** কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে বৃহস্পতিবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ পত্ৰ লিখি পুঞ্চ আৰু পাকিস্তানৰ গোলাবৰ্ষণত ক্ষতিগ্ৰস্ত হোৱা অন্যান্য অঞ্চলৰ বাবে চৰকাৰক এক সুনিৰ্দিষ্ট, উদাৰ আৰু তাৎক্ষণিক সাহায্য আৰু পুনৰ্বাসনৰ পেকেজ প্ৰদান কৰিবলৈ দাবী জনায়। যোৱা শনিবাৰে লোকসভাৰ বিৰোধী দলপতিগৰাকীয়ে জম্মু-কাশ্মীৰৰ পুঞ্চ ভ্ৰমণ কৰি ৭ মে'ৰ পৰা ১০ মে'ৰ ভিতৰত সীমান্ত অতিক্ৰম কৰি আক্ৰমণত সদস্য হেৰুৱা পৰিয়ালকে ধৰি ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে সময় কটায়। মোদীলৈ লিখা পত্ৰত গান্ধীয়ে কয় যে পুঞ্চ আৰু অন্যান্য সীমান্ত অঞ্চলৰ জনসাধাৰণে দশক দশক ধৰি শান্তি আৰু সম্প্ৰীতিৰে জীৱন নিৰ্বাহ কৰি আহিছে। আজি যেতিয়া তেওঁলোকে এই গভীৰ সংকটত পৰিছে, তেতিয়া তেওঁলোকৰ যন্ত্ৰণা বুজি পোৱাটো আমাৰ কৰ্তব্য আৰু তেওঁলোকৰ জীৱন পুনৰ নিৰ্মাণৰ বাবে সম্ভৱপৰ সকলো সহায় আগবঢ়োৱাটো আমাৰ কৰ্তব্য। সেয়ে মই ভাৰত চৰকাৰক সহায়ৰ আহ্বান জনাইছো।

# ইজৰাইলৰ আক্ৰমণত গাজাৰ 'এন ফ্ৰাংক'ৰ মৃত্যু

**গাজা, ২৯ মে':** "গাজাৰ ল'ৰা-ছোৱালীৰ হাঁহিতকৈ ধুনীয়া কিবা আছেনে?" পৰিয়ালক কাপোৰ-কানি আৰু খেলনা বিতৰণ কৰা ভিডিঅ'ৰ কেপচনত য়াকিন হাম্মাদে এদিন এইদৰেই প্ৰশ্ন কৰিছিল। ভিডিঅটোত তেওঁক ল'ৰা-ছোৱালীয়ে আগুৰি ধৰি নাচিছে, খেলিছে, হাঁহিছে। ভিডিঅ'ৰ দৰ্শকক সম্বোধন কৰি য়াকিনে কৈছিল যে তেওঁ শিশুসকলৰ হৃদয়লৈ অলপ আনন্দ কঢ়িয়াই আনিবলৈ চেষ্টা কৰে যাতে তেওঁলোকে যুদ্ধখন পাহৰি থাকিব পাৰে। ইয়াৰ এসপ্তাহৰ পাছতে যোৱা ২৩ মে'ত মধ্য গাজাৰ ডেইৰ আল-বালাহৰ এটা চুবুৰী আল-বাৰাকাত ইজৰাইলে চলোৱা আক্ৰমণত ইয়াকিনৰ মৃত্যু হয়। যুদ্ধই গ্ৰাস কৰা সপ্ৰতিভ এই ছোৱালীজনীৰ বয়স আছিল মাত্ৰ ১১ বছৰ। পেলেষ্টাইনৰ স্বাস্থ্য বিষয়াসকলে নিশ্চিত কৰিছে যে সেই নিশা অঞ্চলটোত নিহত হোৱা শিশুকে ধৰি কেইবাজনো লোকৰ ভিতৰত য়াকিনো আছিল। য়াকিনৰ ইনষ্টাগ্ৰাম একাউণ্ট @yaqeen_hmad ত আছিল এক লাখৰো অধিক ফ'ল'ৱাৰ। বহুতে তেওঁক 'গাজাৰ আটাইতকৈ কম বয়সীয়া ইনফ্লুৱেঞ্চাৰ' বুলি অভিহিত কৰিছিল। এন ফ্ৰাংকৰ ডায়েৰীৰ দৰেই যুদ্ধবিধ্বস্ত চহৰ গাজাৰ আশ্ৰয় শিবিৰৰ ভিতৰত জীৱন কেনেকুৱা হয় তাৰ নিদৰ্শন হৈ পৰিছে য়াকিনৰ ছ'চিয়েল মিডিয়া হেণ্ডেল। ভিডিঅ'বোৰত য়াকিনে খাদ্য বিতৰণ কৰা, শিশুৰ সৈতে নচা, গেছ নথকা সময়ত খৰি ব্যৱহাৰ কৰি কেনেকৈ ৰান্ধিব লাগে সেই বিষয়ে বুজোৱা আদি দেখিবলৈ পোৱা গৈছিল। যি ঠাইত সাংবাদিকৰ প্ৰৱেশত প্ৰায়ে বাধা দিয়া হয় আৰু খবৰ নিয়ন্ত্ৰণ কৰা হয়,



সেই ঠাইত ইয়াকিনে বাস্তৱক ধৰি ৰাখিবলৈ সক্ষম হৈছিল। তেওঁৰ পোষ্টবোৰ ভূ-ৰাজনীতি বা মতাদৰ্শৰ দ্বাৰা গঢ় দিয়া হোৱা নাছিল। সেইবোৰ আছিল বাস্তৱ ঘটনা। খাদ্য সংগ্ৰহৰ পাঠ, তম্বুৰ ভিতৰত হাঁহিৰ শব্দ আৰু এক প্ৰকাৰৰ আমূল আশাবাদ ধ্বংসাৱশেষে আগুৰি থকা য়াকিহঁতৰ ভিডিঅ'ত প্ৰতিফলিত হৈছিল। ২০১৩ চনত জন্মগ্ৰহণ কৰা য়াকিন আছিল পাঁচজন ভাই-ভনীৰ ভিতৰত আটাইতকৈ সৰু। ২০২৩ চনৰ অক্টোবৰৰ পৰা বাৰে বাৰে বোমাবৰ্ষণৰ সন্মুখীন হোৱা চহৰ ডেইৰ আল-বালাহত তেওঁৰ পৰিয়ালটো বাস কৰিছিল। য়াকিনে ভাতৃ মহম্মদৰ সৈতে স্থানীয় ওনেনো কালেক্টিভৰ সৈতে স্বেচ্ছাসেৱী হিচাপে কাম কৰিছিল, সাহায্যমূলক প্ৰচেষ্টাৰ চিত্ৰগ্ৰহণ কৰিছিল। ৰমজানত তাই সাম্প্ৰদায়িক পাত্ৰ এটাৰ কাষত থিয় হৈ গেছ শেষ হ'লে ইফতাৰ কেনেকৈ প্ৰস্তুত কৰিব লাগে সেই বিষয়ে বুজাই দিছিল। আৰবী ভাষাত লিখিছে, “আজি গাজাৰ অনাথ শিশুসকলৰ বাবে আনন্দৰ দিন আছিল। “আমি তেওঁলোকক অলপ সুখ কঢ়িয়াই আনিবলৈ নতুন কাপোৰ দিলোঁ।”

# নগাঁৱৰ বিশিষ্ট ক্ৰীড়া সংগঠক গৌৰীশংকৰ ৰয়ৰ দেহাৱসান

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৯ মে':** দীৰ্ঘদিন ধৰি জটিল বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ থাকি মঙলবাৰে গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে নগাঁৱৰ বিশিষ্ট ক্ৰীড়া সংগঠক তথা সমাজসেৱক গৌৰী শংকৰ ৰয়ে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৬ বছৰ। উল্লেখ্য যে, ৰয় নগাঁও ক্ৰীড়া সংস্থাৰ কাৰ্যনিৰ্বাহক সদস্য হোৱাৰ উপৰিও নগাঁও জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ অধীনস্থ বেঙ্গলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শাৰীৰিক শিক্ষা নিৰ্দেশক আৰু নগাঁও বাঙ্গালী সন্মিলনীৰো উপ-সভাপতি আছিল। একেদৰে তেওঁ উদয় সংঘৰ সম্পাদক-সভাপতি হিচাপেও দায়িত্ব পালন কৰিছিল। বুধবাৰে তেওঁৰ নশ্বৰ দেহ নগাঁও বাঙ্গালী সন্মিলনী আৰু ক্ৰীড়া সংস্থাৰ কাৰ্যালয়লৈ অনাৰ পিছত তাত তেওঁক শেষ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। ইয়াৰ পিছতে তেওঁৰ নশ্বৰ দেহ পূৰ্বৰ কৰ্মস্থলী বেঙ্গলী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ নিয়া হয়। নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি ৰূপক শৰ্মাই তেওঁৰ মৃত্যুক ক্ৰীড়া ক্ষেত্ৰৰ অপূৰণীয় ক্ষতি বুলি অভিহিত কৰে। অসংখ্য শুভাকাংক্ষীৰ উপস্থিতিত নগাঁও শ্মশানত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হয়। মৃত্যুৰ সময়ত তেওঁ পৰিয়াল আৰু গুণমুগ্ধসকলক শোকসন্তপ্ত অৱস্থাত এৰি যায়।

# নগাঁৱত জু জিৎসু ক্ৰীড়াৰ সভা সম্পন্ন

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৯ মে':** গ্ৰেটাৰ নগাঁও জু জিৎসু সংস্থাৰ এখনি কাৰ্যনিৰ্বাহক সভা নগাঁও চৰকাৰী মাধ্যমিক বালিকা বিদ্যালয়ত বুধবাৰে বিয়লি ৩-৩০ বজাত নগাঁও জিলা সমিতিৰ সভাপতি তথা বিশিষ্ট সমাজ সংগঠক ব্ৰজেন কাকতিৰ সভাপতিত্বত অনুষ্ঠিত হয়। জু জিৎসু সংস্থাৰ নগাঁও জিলা সমিতিৰ এই সভাৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা আৰু বিগত কাৰ্যনিৰ্বাহক সভাৰ কাৰ্যবিৱৰণী পাঠ কৰে সংস্থাৰ সাধাৰণ সম্পাদক ৰিকু কটকীয়ে। এই সভাতে সৰ্বসন্মতিক্ৰমে নগাঁও জিলাত জু জিৎসু ক্ৰীড়াৰ প্ৰশিক্ষণ কেন্দ্ৰ সম্প্ৰসাৰণ কৰা, অহা আগষ্ট মাহত জিলা পৰ্যায়ৰ প্ৰশিক্ষণ আৰু প্ৰতিযোগিতা অনুষ্ঠিত কৰাকে ধৰি কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়।



ইডজবাষ্টনত অনুষ্ঠিত এদিনীয়াত ইংলেণ্ডৰ উইকেট দখল কৰি উল্লাস ৱেষ্ট ইণ্ডিজৰ জয়দেন ছিলেছৰ, বৃহস্পতিবাৰে

## কাৰণ নিদিয়াকৈ হঠাৎ পদত্যাগৰ নিৰ্দেশ বিচিবিৰ অধ্যক্ষ ফাৰুকক

# বাংলাদেশ ক্ৰিকেটত চৰকাৰৰ হস্তক্ষেপ! কঠোৰ হ'ব পাৰে আইচিচি

**ঢাকা, ২৯ মে':** বাংলাদেশ ক্ৰিকেট ব'ৰ্ডৰ সভাপতি পদৰ পৰা পদত্যাগ কৰিবলৈ অন্তৰ্বৰ্তীকালীন চৰকাৰে নিৰ্দেশ দিছে ফাৰুক আহমেদক। কিন্তু ফাৰুক পদত্যাগ কৰিবলৈ একেবাৰেই ইচ্ছুক নহয়। তেওঁ স্পষ্টকৈ কৈছে যে তেওঁ কোনো কাৰণ নিদিয়াকৈ এই পদ এৰি নিদিয়ে। এই অচলাৱস্থাই এতিয়া চৰম অস্থিৰতাৰ সৃষ্টি কৰিছে বাংলাদেশী ক্ৰিকেটত। চৰকাৰে যদি তেওঁক বলপূৰ্বকভাৱে অপসাৰণ কৰে তেন্তে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ নিয়ম উলংঘা কৰিব বুলি আশংকা কৰা হৈছে। আইচিচিয়ে ইয়াক 'চৰকাৰৰ হস্তক্ষেপ' বুলি গণ্য কৰিব পাৰে আৰু সেই ক্ষেত্ৰত বাংলাদেশ ক্ৰিকেটত নিষেধাজ্ঞা আৰোপ কৰাৰ সম্ভাৱনা বৃদ্ধি পাইছে। মন কৰিবলগীয়া যে, ইয়াৰ পূৰ্বে শ্ৰীলংকা আৰু জিম্বাবুৱেৰ ক্ষেত্ৰতো একেই নিষেধাজ্ঞা আৰোপ কৰিছিল আইচিচিয়ে।বুধবাৰে যুৱ আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ উপদেষ্টা আছিফ মাহমুদ চাজিব ভূঞাই ফাৰুক আহমেদক ফোনযোগে পদত্যাগ কৰিবলৈ নিৰ্দেশ দিয়ে। 'ক্ৰিকবাজ'ৰ সৈতে হোৱা এক সাক্ষাৎকাৰত ফাৰুকে কয় যে উপদেষ্টাজনে তেওঁক কৈছিল, "মই তোমাক আৰু নিবিচাৰো।" কিন্তু ফাৰুকে কয়, "মই এতিয়াও কোনো সিদ্ধান্ত লোৱা নাই।" বৃহস্পতিবাৰে 'প্ৰথম আলো'ৰ সৈতে হোৱা এক সাক্ষাৎকাৰত তেওঁ কয় যে মই পদত্যাগ নকৰো। "তেওঁলোকে মোক কিয় আঁতৰাব বিচাৰে তাৰ কোনো কাৰণ এতিয়াও দিয়া হোৱা নাই। মই কোনো কাৰণ নোহোৱাকৈ পদ এৰিব নোৱাৰো।" এই সময়ত ফাৰুকৰ কাষত থিয় দিছে কেইবাগৰাকী প্ৰাক্তন ৰাষ্ট্ৰীয় ক্ৰিকেটাৰ। এজন প্ৰাক্তন অধিনায়কে কয়, "বাংলাদেশ ক্ৰিকেট এনেদৰে চলি থাকিব নোৱাৰে। হঠাতে কাৰোবাক অধ্যক্ষ হিচাপে নিযুক্তি দিয়া আৰু তাৰ পিছত কোনো কাৰণ নোহোৱাকৈ আঁতৰাই পেলোৱা- এইটো গ্ৰহণযোগ্য নহয়। ইয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰতো প্ৰশ্ন উত্থাপন হ'ব।" শেষত যদি ফাৰুক পদত্যাগ নকৰে তেন্তে চৰকাৰে তেওঁক বলপূৰ্বকভাৱে অপসাৰণ কৰিব পাৰে। আৰু যদি তেনেকুৱা হয়, তেন্তে আইচিচিৰ দৃষ্টিত সেয়া হ'ব প্ৰত্যক্ষ চৰকাৰী হস্তক্ষেপ, যাৰ ফলত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শাসক সংস্থাটোৱে বিচিবিৰ সদস্যপদ বাতিলৰ দৰে কঠোৰ সিদ্ধান্ত ল'ব পাৰে। ইয়াকে লৈ এতিয়া চৰম উত্তেজনাৰ সৃষ্টি হৈছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি